# স্বাধিকাৰ

মুখপত্ৰ

## অসম ছাত্ৰ-যুৱ সংগঠন (এছীয়)

চতুৰ্থ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস সংখ্যা, ২০০৬

OKDISCD

সম্পাদনাত —

## অৰ্পণ

*সততা আৰু সাহসীকতাৰে*
*“এছীয়”ৰ পতাকাখন কঢ়িয়াই লৈ ফুৰা*
*সমূহ সংগ্ৰামী সতীৰ্থৰ হাতত*
*“স্বাধিকাৰ”ৰ এই সংখ্যাটি*
*অৰ্পণ কৰিলোঁ।*

*- সম্পাদক*


## সম্পাদনা সমিতি ঃ-

প্ৰকাশক ঃ

অসম ছাত্ৰ-যুৱ সংগঠন (কেন্দ্ৰীয় সমিতি)

উপদেষ্টা ঃ

শ্ৰীজ্যোতি প্ৰসাদ দত্ত
শ্ৰীগোবিন্দ চন্দ্ৰ নাথ
শ্ৰীপল্লৱ বৰবৰা
শ্ৰীআদিত্য বড়া

সম্পাদক ঃ

শ্ৰীলালন কুমাৰ মৰাণ

সম্পাদনা সহযোগী ঃ

শ্ৰীৰঞ্জন মৰাণ
শ্ৰীমিণ্টু ৰঞ্জন তামুলী
শ্ৰীবিপুল বৈভৱ বৰুৱা

মূল্য ঃ

১০ (দহ) টকা

মুদ্ৰণ ঃ

শ্যাম অফছেট্
বৰবজাৰ, তিনিচুকীয়া
দূৰভাষ - (০৩৭৪) ২৩৩৫৫৯৪


OKDISCD

# সম্পাদকীয়....

জীৱৰ বংশগতি তত্ত্বৰ আৱিস্কাৰক ডাৰউইন আৰু মানৱৰ ক্ৰমবিকাশ তত্ত্বৰ আৱিস্কাৰক বিশ্ববিখ্যাত গৱেষক মৰ্গানৰ অবিসম্বাদী তথ্য সমৃদ্ধ গৱেষণাৱলীয়ে মানৱ সমাজৰ প্ৰাগ ঐতিহাসিক কালৰ সমাজ ব্যৱস্থা তথা ইয়াৰ গতি প্ৰকৃতিৰ ওপৰত আজিপৰ্যন্ত এক সৰ্বজনস্বীকৃত মতবাদ দাঙি ধৰিছে। উক্ত মতবাদ অনুসৰি মানৱ সমাজৰ বিকাশ এক স্বাভাৱিক দান্দিক প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল। প্ৰাগ ঐতিহাসিক কালৰ পৰা জীৱ শ্ৰেষ্ঠ মানৱে দৈনন্দিন জীৱন জীৱিকা তথা জীৱনৰ নিৰাপত্তাৰ বাবে অহৰহ মুখামুখী হোৱা বিভিন্ন সংঘাতৰ বিৰুদ্ধে এক প্ৰণালীবদ্ধ সংগ্ৰামৰ ইতিহাস গঢ়ি তুলিছে। এই সংঘাত আৰু সংগ্ৰামৰ ভাৰসাম্য অৱস্থানবিলাকৰ মাজেদিয়েই স্তৰে স্তৰে বিকাশ লাভ কৰিছে আদিম বন্য মানৱ জাতিয়ে। প্ৰতিটো ক্ষণতে মানৱ জাতিৰ এই ঐতিহাসিক বিকাশ সেই সময় পূৰ্ব সঞ্চিত দান্দিক ঐতিহাসিক জ্ঞানৰ ওপৰত নিৰ্ভৰশীল। অৰ্থাৎ মানৱ সমাজে বিকাশৰ প্ৰকিয়াত মুখামুখী হোৱা প্ৰতিটো সংঘাতক পূৰ্বৰ ঐতিহাসিক সঞ্চিত জ্ঞানৰ ওপৰত ভেজাদি দন্দৰ যোগেদি সমাধানৰ দিশে পৰিচালিত কৰিব খোজে। এনে সংঘাতপূৰ্ণ মুহূৰ্ততে সমাজৰ স্বাভাৱিক ঘটনাৰাজীয়ে অতি স্বাভৱিকভাৱেই সৃষ্টি কৰে সমাজৰ সমস্যা কেন্দ্ৰীক কিছু চিন্তাশীল সমাজ সংগঠক ব্যক্তিক, যাক এক কথাত সমাজৰ নেতৃত্ব বুলি অভিহিত কৰিব পাৰি। সমাজ বিকাশৰ বিভিন্ন স্তৰত সমাজে মুখামুখী হোৱা এনে সমস্যাসমূহৰ সমাধান কল্পে আচলতে ঐতিহাসিক সঞ্চিত জ্ঞান সমৃদ্ধ সমাজখনৰ প্ৰতিজন ব্যক্তিয়ে (বিকলাংগ জ্ঞানহীন সকলক বাদ দি) বিভিন্ন তাত্বিক ব্যাখ্যা তথা কলা-কৌশলৰ চিন্তা, আৱিস্কাৰ তথা উদ্ভাৱন কৰাৰ চেষ্টা অব্যাহত ৰাখে।

অৱশ্যে সমাজে মুখামুখী হোৱা প্ৰতিটো সমস্যাৰে অতি স্বাভাৱিক ভাৱেই মাত্ৰ এটাহে সঠিক আৰু সুসংহত বাস্তৱ তথা বিজ্ঞানসন্মত সমাধান সূত্ৰ প্ৰকৃতিগতভাৱেই নিৰ্হিত হৈ থাকে। গতিকে এনে স্থলত সমাজৰ প্ৰতিজন ব্যক্তিৰে জ্ঞান তথা সমাজৰ মগজুৰ কছৰৎ চলিলেও সমস্যা কেন্দ্ৰীক সমাধান সূত্ৰ নিৰূপণত কোনো বিশেষ এজন ব্যক্তিয়েহে প্ৰণালীবদ্ধ সমাধান সূত্ৰ নিৰূপণত সঠিকতাৰ ফালে ধাৱমান হয় আৰু এই চিন্তাৰ অগ্ৰাধিকাৰ ভিত্তিতে সমাজত এক প্ৰণালীবদ্ধ চিন্তাৰ উদ্ৰেক ঘটে। সঠিক তথা সু-সংহত প্ৰণালীবদ্ধ চিন্তাৰ গতি প্ৰকৃতিয়ে সমাজৰ বাকী অবৈজ্ঞানিক, অশুদ্ধ চিন্তা-চৰ্চাক আঘাট হানিবলৈ ধৰে। অৰ্থাৎ সমাজখনৰ সমস্যাকেন্দ্ৰীক সমাধানৰ সকলো উপৰোৱা তত্ত্ব তথা প্ৰক্ৰিয়াক নুস্যাৎ কৰে আৰু সমাজৰ প্ৰায় সকলো ব্যক্তিয়ে শুদ্ধ তত্ত্ব তথা কৌশলৰ দিশে গতি কৰি তাক অধিক সুসংহত আৰু অধিক সমৃদ্ধিশালী কৰি তোলে। অৱশ্যেই ই তত্ত্ব আৰু অনুশীলনৰ এক স্বাভাৱিক উত্থান-পতনৰ গতিশীল প্ৰক্ৰিয়াৰ মাজেদিয়েই বিকাশ লাভ কৰে আৰু এই তত্ত্বৰ কাষৰে পাজৰে এক সামাজিক সংগঠন সংগঠিত কৰে। তত্ত্ব আৰু প্ৰয়োগৰ শুদ্ধ আৰু সুসংহত বিকাশশীল গতিশীলতাৰ ওপৰতেই এনে সামাজিক সংগঠনৰ বিকাশ তথা অৱক্ষয় নিৰ্ভৰশীল। অৰ্থাৎ সমাজে মুখামুখী হোৱা সমস্যাৰ সমাধান কল্পে সৃষ্ট তত্ত্ব আৰু প্ৰয়োগৰ শুদ্ধতাৰ ওপৰতেই নিৰ্ভৰ কৰে সংগঠন তথা নেতৃত্বৰ ভৱিষ্যত আৰু যদিহে শুদ্ধ আৰু সুসংহতভাৱে তত্ত্ব আৰু প্ৰয়োগৰ প্ৰক্ৰিয়া অব্যাহত থাকে তেতিয়া ই সমাজে মুখামুখী হোৱা সমস্যাৰ দান্দিক ব্যাখ্যা সঠিকভাৱে আগবঢ়াব পাৰে আৰু সমস্যাৰ সমাধান সূত্ৰ নিৰূপণত সফলতা অৰ্জন কৰে। ইয়াৰ ওপৰতেই নিৰ্ভৰ কৰে এখন সমাজে কাৰ নেতৃত্ব মানি লয় আৰু কোন সংগঠনক সংগঠিত কৰিব এই নিৰ্মোঘ সত্য। সমাজ এখন বিকাশ হোৱাৰ যি ঐতিহাসিক প্ৰক্ৰিয়া, এই প্ৰক্ৰিয়াত ক্ষণস্থায়ীভাৱে কিছু হীন দেৰি তথা ইফাল সিফাল ঘটিলেও দীৰ্ঘস্থায়ীভাৱে ই এক ৰুধিব নোৱাৰা প্ৰক্ৰিয়া আৰু বাস্তৱিক অৰ্থত চিৰসত্য।

প্ৰাক ঐতিহাসিক কালৰে পৰা বিকাশশীল আমাৰ অসমীয়া জাতীয় জীৱন তথা অসমৰ প্ৰতিজন খাটিখোৱা তথা সমাজৰ ইতিহাস গঢ়োতা ব্যক্তিৰ কৰ্মোময় জীৱনত সংঘাতৰ যোগেদি সমস্যা সমাধানৰ ইতিহাসো এনে ধৰণৰ ঐতিহাসিক আৰু দান্দিক বস্তুগত প্ৰক্ৰিয়াৰ মাজেদিয়েই বিকাশশীল। অসমৰ এই ভূ-খণ্ডৰ মাজত বিকাশ লাভ কৰা এই জান সমষ্টিটোৱে বিকাশৰ বিভিন্ন স্তৰত মুখামুখী হোৱা বিভিন্ন সমস্যা তথা দুস্কৃতিক এনেদৰে নিঃশেষ কৰি আজিৰ অৱস্থানত উপস্থিত হৈছেহি। বিকাশৰ এই দীৰ্ঘ সময়ছোৱাত জ্ঞাত বা অজ্ঞাত বহু নেতৃত্বদায়ী মহাপুৰুষ তথা সমাজ সংগঠকে জন্ম তথা বিকাশ লাভ কৰিছে। কিন্তু সমাজ বিকাশৰ স্বাভাৱিক প্ৰক্ৰিয়া অনুসৰিয়েই এই যাত্ৰা অবিৰাম গতিশীল আৰু সামৰণিহীন। অৰ্থাৎ সমাজে প্ৰতিটো সমস্যাকেন্দ্ৰীক সংঘাতৰ বিকাশৰ যোগেদি তাৰ সমাধান সূত্ৰ নিৰূপণ কৰি সমস্যাবিলাক নাইকীয়া কৰে আৰু সমাজখন বিকাশ হৈ অন্য এটা বিকশিত অৱস্থানত ভৰি দিয়ে আৰু লগে লগে অন্য বহু সমস্যাৰ মুখামুখী হৈ উঠে। এনে অনাবিল প্ৰকিয়াৰ মাজেদিয়েই আজিৰ মানৱ সমাজে নিজকে সৃষ্টিকৰ্তাৰ অৱস্থানত অৱস্থিত কৰাইছে আৰু নিতৌ সমাজ তথা মানৱক ভাৰক্ৰান্ত কৰা প্ৰকৃতিৰ প্ৰতিটো জটিল নিয়মকে সঠিক মীমাংসাৰ যোগেদি মানৱ জাতিৰ বিকাশ তথা স্থায়ীত্বৰ দিশে ৰূপান্তৰিত কৰিছে।

আমাৰ অসমৰ সমাজখনেও ঢাপে ঢাপে আগুৱাই আহি আজিৰ অৱস্থানত অৱস্থিত হৈছে। বহু প্ৰাকৃতিক তথা মানৱ সৃষ্টিক সমস্যাৰ সমাধান প্ৰক্ৰিয়াৰ যোগেদি আজিৰ অৱস্থানত অৱস্থিত হৈছে। বহু প্ৰাকৃতিক তথা মানৱ সৃষ্টিক সমস্যাৰ সমাধান প্ৰক্ৰিয়াৰ যোগেদি আজিৰ অৱস্থানত অৱস্থিত অসমৰ জাতীয়

OKDISCP

জীৱনে আজি আকৌ অন্য বিভিন্ন সমস্যাৰ অনিবাৰ্য্যভাৱেই মুখামুখী হৈছেহি। মাটি খুচৰী সোণ বুটলি ইতিহাসৰ পাত সোণালী কৰা তথা বিকশিত কৰা এই জাতীয় জীৱনক আজি বিভিন্ন সমস্যাই ভাৰাক্ৰান্ত কৰি তুলিছে। গতিকে এনে মুহূৰ্তত জাতিক ভাৰাক্ৰান্ত কৰা তথা জাতীয় জীৱনক নিশেষ কৰিব বিচৰা এনে সমস্যাসমূহৰ সমাধান কল্পে সমাজ সৃষ্ট বিভিন্ন সংগঠন তথা নেতৃত্বৰ সৃষ্টি হৈছে তথা উত্থান পতনৰ মাজেদি এক শুদ্ধ আৰু সুসংহত কৰণৰ ফালে ধাৱমান হৈছে। গতিকে জাতীয় জীৱনৰ এনে দুৰ্যোগপূৰ্ণ মুহূৰ্তত আমি প্ৰতিজন মানৱতাবাদী তথা মানৱ প্ৰেমীৰে আশু দায়িত্ব ও কৰ্তব্য হিচাবে জাতীয় জীৱনৰ প্ৰতিটো সমস্যাকে সুস্থ তথা সুসংহত ব্যাখ্যা তথা সঠিক সমাধান সূত্ৰ নিৰূপণৰ বাবে ঐতিহাসিক বস্তুগত ব্যাখ্যাৰ মাজত আত্মনিয়োগ কৰাটো অপৰিহাৰ্য্য হৈ পৰিছে। এইখিনিতে উল্লেখযোগ্য যে শুদ্ধ তত্ত্ব আৰু সঠিক কৌশল অবিহনে ই কেতিয়াও সম্ভৱ হৈ নুঠিব।

গতিকে এনে শুদ্ধ তত্ত্ব আৰু সঠিক কৌশলৰ উদ্ভাৱনৰ স্বাৰ্থত এক নিৰ্মোহ বিশ্লেষণ তথা মুকলি বিতৰ্কৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। এই উদ্দেশ্য আগত ৰাখিয়েই "অসম ছাত্ৰ-যুৱ সংগঠন" চমুকৈ "এছীয়"ই অসমৰ সমস্যাৰাজীৰ বিশ্লেষণ তথা সমাধান সূত্ৰ নিৰূপণৰ ওপৰত বিতৰ্ক আৰু পৰ্যালোচনাৰ যোগেদি এক সঠিক মীমাংসাত উপনীত হ'বৰ বাবে সাংগঠনিক মুখপত্ৰ "স্বাধিকাৰ" প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰে। ই সিদ্ধান্ত কাৰ্যকৰীকৰণৰ উদ্দেশ্য আগত ৰাখিয়েই চতুৰ্থ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত ইয়াৰ প্ৰথম খণ্ডটি ৰাইজৰ মাজলৈ মুকলি বিতৰ্ক তথা পৰ্যালোচনাৰ বাবে আগবঢ়াই।

আমি আশা ৰাখিছো ইয়েই অসমৰ ব্যাপক খাটি খোৱা মেহনতী জনগণৰ মাজত এক নতুন দিগন্তৰ সূচনা কৰি আৰু অসমৰ জাতীয় জীৱনৰ বিভিন্ন দুৰ্যোগৰ নিৰ্মোহ বিশ্লেষণৰ যোগেদি এক সঠিক মীমাংসাৰ দিশে গতিশীল কৰি তুলিব। সদৌ শেষত সংহতি, সংগ্ৰাম আৰু সমতাৰ লক্ষ্য আগত ৰাখি সংগঠিত হোৱা "অসম ছাত্ৰ-যুৱ সংগঠন"ৰ উদ্দেশ্য লক্ষ্যক বাস্তৱায়িত কৰাত অসমৰ প্ৰতিজন খাটিখোৱা মেহনতী জনগণৰ সহায়-সহযোগ তথা মুকলি বিতৰ্কৰ আহ্বান জনালোঁ।

**শ্ৰীলালন কুমাৰ মৰাণ**
সম্পাদক
**"স্বাধিকাৰ"**
কেন্দ্ৰীয় মুখপত্ৰ, অসম ছাত্ৰ-যুৱ সংগঠন

# প্ৰচলিত ৰাষ্ট্ৰীয় শিক্ষানীতি বনাম পৰিৱৰ্তনশীল জাতীয় শিক্ষানীতি

❑ পল্লৱ বৰবৰা

চীন দেশৰ কথা। এজন অতি সাধাৰণ ব্যক্তিয়ে এখন বিদ্যালয়ৰ পৰিকল্পনা কৰিলে। প্ৰচলিত গতানুগতিক পুথিগত বিদ্যাভিত্তিক পাঠ্যক্ৰম নিৰ্ভৰ শিক্ষাৰ বিপৰীতে বাস্তৱভিত্তিক অভিজ্ঞতালব্ধ জ্ঞান আৰু কৰ্মৰ যোগেদি প্ৰাকৃতিক ভাৱে আহৰণ কৰা প্ৰকৃত শিক্ষা কেনেকৈ দিব পৰা যায় তাৰে এক পৰিকল্পনা ভিত্তিক আঁচনি তৈয়াৰ কৰিলে। কাৰ্যৰূপ দিবৰ বাবে তেওঁ নিজে এখন বিদ্যালয় খুলিলে। ল'ৰা-ছোৱালী হ'ল পঞ্চাশজন। পৰীক্ষামুখী এখন আঁচনি অনুসৰি সিমানখিনি ছাত্ৰ-ছাত্ৰীয়েই যথেষ্ট আছিল। তাত তেওঁ সাধাৰণ পাঠ্যক্ৰমৰ উপৰিও বিভিন্ন বিষয়ত বাস্তৱভিত্তিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। তাৰ বাবে তেওঁ সেই সেই বিষয়ৰ ওপৰত জ্ঞান থকা ব্যক্তিক বিদ্যালয়লৈ নিমন্ত্ৰণ কৰি আনিছিল। উদাহৰণস্বৰূপে, বিদ্যালয়লৈ অহা-যোৱা কৰা বাটত ছাত্ৰ-ছাত্ৰীসকলে সদায় দেখা, পথাৰত কাম কৰি থকা এজন সাধাৰণ খেতিয়ক এদিন তেওঁলোকক শ্ৰেণীকোঠাত কৃষিৰ বিষয়ে কথা ক'বলৈ আহিছে। শ্ৰেণীকোঠাৰ পৰা এটা সময়ত ছাত্ৰ-শিক্ষক পথাৰলৈ বুলি অগ্ৰসৰ হ'ল। পথাৰত নামিয়েই এজন ছাত্ৰৰ ভৰি এখন এটা গাঁতত সোমাল, সেইটো কিহৰ গাঁত বুলি সোধাত তেওঁ উত্তৰ দিলে যে সেইবোৰ পথাৰত সাপে খন্দা গাঁত। মাটি চহোৱাৰ আগতে সেয়ে পথাৰত সাপ খেদাৰ ব্যৱস্থা কৰি ল'ব লাগে। পথাৰত থকা সাপ, কেঁচু আদিকে ধৰি অন্যান্য কীট-পতঙ্গৰ ইতিবৃত্ত, সেইবোৰৰ উপকাৰ-অপকাৰ, পথাৰৰ বিভিন্ন কাম, বিভিন্ন শস্যৰ কথা - মুঠতে কৃষি সম্পৰ্কীয় বিভিন্ন তথ্য তেওঁলোকক পথাৰতে যোগান ধৰা হ'ল। বিদ্যালয়খনৰ সম্পৰ্কত অতীত স্মৃতি ৰোমন্থন কৰিবলৈ গৈ এজন ছাত্ৰই পিছৰ জীৱনত সেই অভিজ্ঞতাই কেনেদৰে তেওঁৰ জীৱনত উপকৃত কৰিছে সেই কথা অতি সুখেৰে বৰ্ণনা কৰিলে। বিদ্যালয়খন দীৰ্ঘস্থায়ী নহ'ল যদিও চীনৰ শিক্ষা ইতিহাসত এক নতুন চিন্তাৰ মাত্ৰা সংযোগ কৰি থৈ গ'ল।

উক্ত বিদ্যালয়খনৰ পাতনিয়ে সাম্প্ৰতিক আমাৰ দেশৰ শিক্ষা ব্যৱস্থাৰ প্ৰাসংগকিতাৰ দিশটো উদঙাই দিছে। অতি ওপৰুৱাকৈ চালেও এই কথা সহজেই চকুত পৰে আও-পুৰণি বাস্তৱবিবৰ্জিত ভৱিষ্যত পৰিকল্পনাহীন, কৰ্মহীন, পাঠ্যপুথিনিৰ্ভৰ অবৃত্তিমুখী শিক্ষাৰ স্বৰূপ। সাম্প্ৰতিকভাৱে চলি অহা এক শিক্ষা ব্যৱস্থাৰ অন্তৰ্গত। প্ৰাচীন সংস্কৃত ভাষাকেন্দ্ৰিক টোল ব্যৱস্থাৰপৰা বৃটিছযুগত ইংৰাজী ভাষাকেন্দ্ৰিক পাঠ্যপুথি নিৰ্ভৰ বিদ্যালয় শিক্ষাৰ সূচনা হ'ল ভাৰতীয় শিক্ষা ব্যৱস্থাত। ভাৰতীয় আধুনিক শিক্ষা ব্যৱস্থা আৰম্ভণিৰ পৰাই আছিল ছিন্নমূল, দেশ



OKDISCD

আৰু জাতিৰ ঐতিহাসিক বিকাশৰ লগত সম্পৰ্কৰহিত। বৃটিছ অহাৰ আগলৈকে ভাৰতীয় শিক্ষাৰ মূল চাবি-কাঠি একচেতিয়াভাৱে সমাজৰ অভিজাত শ্ৰেণী, জাত-পাতৰ বিচাৰত ওপৰ জাতৰ মানুহখিনিৰ মাজত সীমাবদ্ধ আছিল। এই ব্যৱস্থাটো চিৰকাল বৰ্তাই ৰাখিবৰ বাবে শূদ্ৰিৰে বেদ চুব নোৱৰা, পঢ়িব নোৱাৰা এক ধৰ্মীয় নীতি নিৰ্দ্ধাৰণ কৰি দিয়া হৈছিল। নাৰী শিক্ষাৰ অৱস্থাটো তথৈবচ। বৃটিছ ৰাজত্বকালত এই ব্যৱস্থাৰ পৰিৱৰ্তন হৈছিল। শিক্ষা লাভৰ অধিকাৰ সমাজৰ সকলো স্তৰলৈকে বিস্তাৰিত হৈছিল। কেইজনমান আধুনিক মনৰ শিক্ষিত ব্যক্তিৰ উৎসাহ-উদাৰতা আৰু বৃটিছৰ সংস্কাৰ নীতিৰ প্ৰভাৱত ভাৰতীয় সমাজত বহুতো ৰীতি-নীতি, বিশ্বাস পৰম্পৰাৰ সংস্কাৰ সাধিত হৈছিল। অৱশ্যে এই সকলো সংস্কাৰ নীতিৰ অন্তৰালত বৃটিছ ঔপনিৱেশিক চৰকাৰৰ সাম্ৰাজ্যবাদী নীতিৰ কৌশল নিহিত আছিল। ঔপনিবেশিক সাম্ৰাজ্য বৰ্তাই ৰখাৰ স্বাৰ্থতে আধুনিক বিদ্যালয়কেন্দ্ৰিক শিক্ষা ব্যৱস্থাই সমাজত এফালে বৃটিছ আনুগত্যশীল একশ্ৰেণী চাকৰিজীৱি মধ্যবিত্তৰ জন্ম দিছিল আৰু আনফালে আওপকীয়াকৈ হ'লেও এক শ্ৰেণীৰ প্ৰকৃত আধুনিক শিক্ষাৰে শিক্ষিত জাতিপ্ৰেমী, দেশপ্ৰেমী নাগৰিকৰ উত্থান ঘটিছিল। বৃটিছে ভাৰতত শিক্ষাৰ আঁচনি গ্ৰহণ কৰিছিল তেওঁলোকৰ শাসনৰ সুবিধাৰ্থে একশ্ৰেণী কেৰাণী-মহৰী সৃষ্টিৰ বাবে। প্ৰশাসনিক কাম পৰিচালনাৰ বাবে আটাইখিনি কৰ্মচাৰী ইংলেণ্ডৰ পৰা অনাটো সম্ভৱপৰ নাছিল। সেয়ে থলুৱাভাৱে কিছুলোকক শিক্ষিত কৰি লোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছিল। এই অভাৱ পূৰণ হৈছিল ঠিকেই, কিন্তু বৃটিছে নিজে গঢ়ি তোলা এই আধুনিক শিক্ষাই পৰোক্ষভাৱে ভাৰতত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ শিল্পোদ্যোগমুখী পশ্চিমৰ আধুনিক দুৱাৰখন মুকলি কৰি দিছিল।

বৃটিছ শিক্ষা নীতি অনুসৰি সেই সময়ত ইংৰাজী ভাষা শিক্ষাত যিমান গুৰুত্ব দিয়া হৈছিল বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ বিভিন্ন কাৰিকৰী শিক্ষাত সিমান গুৰুত্ব দিয়া হোৱা নাছিল। অৱশ্যে আঢ্যৱন্ত শ্ৰেণীটোৰ কিছুসংখ্যক ৰাজ্যৰ বাহিৰলৈ গৈ, বিশেষকৈ কলিকতা আৰু বিলাতলৈ গৈ উচ্চ শিক্ষা আহৰণত গুৰুত্ব দিছিল যদিও ইয়াৰ সৰহভাগেই আছিল বেৰিষ্টাৰ, ডক্তৰ, অধ্যাপক শ্ৰেণীৰ; প্ৰযুক্তিবিদ হ'লে নোলাল। এনেধৰণৰ শিক্ষাই সমাজত নতুন এক মধ্যভোগী শ্ৰেণীৰ জন্ম দিছিল। বৃটিছ আমোলৰ শিক্ষাৰ লগত প্ৰাচীন শিক্ষাৰ কোনো যোগসূত্ৰ নাছিল; নাছিল কোনো ভৱিষ্যত ক্ৰমবিকশিত পৰিৱৰ্তনশীল নীতি আৰু পৰিকল্পনা। এয়া হৈছে স্বাধীনতাপূৰ্বকালৰ ভাৰত তথা অসমৰ শিক্ষা ব্যৱস্থাৰ স্বৰূপ।

স্বাধীনোত্তৰ কালত স্বাধীন ভাৰতৰ শিক্ষা নীতিও বিশেষ প্ৰগতিশীল, পৰিৱৰ্তনমুখী নহ'ল। পূৰ্বৰ বৃটিছ নীতিকে অৱলম্বন কৰি স্বাধীন ভাৰতৰ শিক্ষা নীতিৰূপে প্ৰচলন কৰি দিয়া হ'ল। একেই গতানুগতিক ভাষা শিক্ষণ, সাধাৰণ বিজ্ঞান, গণিত, পৰীক্ষানিৰ্ভৰ নিষ্কৰ্মা বিদ্যাৰ অনুশীলন। বছৰৰ পিছত বছৰ, পুৰুষৰ পিছত পুৰুষৰ সেই একেই জ্ঞান-বিদ্যাৰ অনুশীলন-পৰিশীলন। কোনো নতুন সৃষ্টিৰ,



প্ৰগতিৰ, নতুনত্বৰ, প্ৰজ্ঞাৰ অভ্যাস নাই, আদৰ নাই, স্থান নাই। মানৱ জীৱনৰ অতি আপুৰুগীয়া অমূল্য বিশটা বছৰ বিদ্যালয় শিক্ষাৰ মাজতেই অতিবাহিত হ'ব লগা হয়। সেয়াও কিছু সংখ্যকৰ কাৰণে ব'ব নোৱৰা ভাৰত পৰিণত হয়।

বৰ্ত্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাৰ কেইটামান প্ৰধান বৈশিষ্ট্য চকুত পৰে। সেইবোৰ হৈছে - পাঠ্যপুথি কেন্দ্ৰিক, পৰীক্ষামুখী, অবৃত্তিমূলক, চাকৰিনিৰ্ভৰ, কৰ্মহীন। সাধাৰণতে এটা বছৰৰ কাৰণে নিৰ্দ্ধাৰিত পাঠ্যপুথিৰ ওপৰত পৰীক্ষা অনুষ্ঠিত হয়, পৰীক্ষাত আহৰণ কৰা নম্বৰৰ ভিত্তিত উত্তীৰ্ণ অনুত্তীৰ্ণৰ জোখ কৰা হয়। বহুক্ষেত্ৰত এই জোখ মুখস্থ শক্তিৰ ওপৰত নিৰ্ভৰশীল। জ্ঞান আহৰণ আৰু জ্ঞানক হাতে-কামে প্ৰয়োগ কৰাৰ ওপৰত গুৰুত্ব দিয়া নহয়। এনেদৰে লাভ কৰা শিক্ষাৰ জৰিয়তে আনুষ্ঠানিক শিক্ষাৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলৰ চাকৰি অনুসন্ধানৰ বাদে দ্বিতীয় বিকল্প নাথাকেগৈ। এনেদৰে বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা বছৰি হাজাৰ হাজাৰ শিক্ষিত ছাত্ৰ-ছাত্ৰীৰ উৎপাদন হৈ আছে; সেই পৰিমাণৰ কৰ্মক্ষেত্ৰৰ কিন্তু তৈয়াৰ হোৱা নাই; তৈয়াৰ হ'ব পৰা সামাজিক ব্যৱস্থাটো নাই। ফলস্বৰূপে শিক্ষানুষ্ঠানবোৰ হৈ পৰিছে শিক্ষিত নিবনুৱা উৎপাদন কৰা একো একোটা কাৰখানা।

যিকোনো শিক্ষা লাভ কৰাৰ পাছত সেই শিক্ষাক বাস্তৱ জীৱনত, কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰাৰ সুবিধা থাকিলেহে প্ৰকৃততে সেই শিক্ষালাভৰ সাৰ্থকতা থাকে। এনে এক সুচল ব্যৱস্থা থাকিলেহে একোখন সমাজ প্ৰগতিমুখী, বিকাশমুখী হ'ব পাৰে। এইক্ষেত্ৰত একো একোজন শিক্ষিত কৰ্মঠ, সৃষ্টিশীল ব্যক্তিৰ অৱদান সমাজজীৱনৰ বিকাশত কোনো পধ্যে নুই কৰিব নোৱাৰি। এই প্ৰক্ৰিয়াটো ধাৰাবাহিকভাৱে চলিবলৈ হ'লে সমগ্ৰ প্ৰশাসনযন্ত্ৰটো, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ব্যৱস্থাটো উপযুক্ত বিকাশমুখী হ'ব লাগিব। মানৱ সম্পদৰ প্ৰকৃত ব্যৱহাৰ হ'ব পৰা এটা সবল যথোপযুক্ত অৰ্থনৈতিক ভেটি তৈয়াৰ হ'ব লাগিব। আমাৰ দেশ মানৱ সম্পদ ব্যৱহাৰৰ ক্ষেত্ৰত চূড়ান্তভাৱে ব্যৰ্থ হৈছে। যাৰ ফলত দেশত অতি দ্ৰুতগতিত নিবনুৱা সমস্যা বৃদ্ধি হৈছে।

আন এটা উল্লেখযোগ্য কথা হ'ল - আমাৰ শিক্ষা ব্যৱস্থা দেশীয় অৰ্থনৈতিক ভেটিৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ। ইয়াৰ ৭০ শতাংশ লোকেই কৃষিজীৱি। কিন্তু ভাৰতীয় শিক্ষা ব্যৱস্থাত, ইয়াৰ পাঠ্যক্ৰমত কৃষিৰ ওপৰত মুঠেও গুৰুত্ব দিয়া হোৱা নাই। কৃষি শিক্ষাক কেৱল উচ্চ শিক্ষাৰ মাধ্যমেহে কৰি তোলা হয়; তাকো পাঠ্যপুথিকেন্দ্ৰিক, বাস্তৱবিবৰ্জিত। পথাৰৰ বোকাত ভৰি নিদিয়াকৈ, নাঙলৰ মুঠিত খামুচি নধৰাকৈয়ে একোটা বিয়াগোম ডিগ্ৰী প্ৰদান কৰা হয়। ইমানবিলাক কৃষি বিশ্ববিদ্যালয় থকা স্বত্ত্বেও সৰ্বসাধাৰণ খেতিয়কে গৰু-নাঙল যুঁৱলি বৰষুণৰ ওপৰত নিৰ্ভৰশীল হৈয়ে সীমাবদ্ধ থাকিব লগা হ'ল। কাৰণ এই শিক্ষা ব্যৱস্থাই কৃষিক্ষেত্ৰত ন-ন সৃষ্টিশীল উপাদানৰ এতিয়াও জন্ম দিব পৰা নাই। এই ক্ষেত্ৰত ভাৰতীয় শিক্ষা আয়োগে যে কোনোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই

তেনে কথাও সত্য নহয়। স্বাধীনোত্তৰ কালতে এই ব্যৱস্থা পৰিৱৰ্তনৰ বাবে বহুকেইখন আঁচনি (কোঠাৰি আয়োগ, ১৯৬৪-৬৬ ৰাষ্ট্ৰীয় শিক্ষা আঁচনি ইত্যাদি) বহু গুৰুত্বপূৰ্ণ ব্যক্তিয়ে তৈয়াৰ কৰিছে, চৰকাৰে তাক গ্ৰহণ কৰিছে, কিন্তু সেইবোৰ আঁচনি কেৱল কাগজ কলমৰ মাজতেই আৱদ্ধ থাকিল, বাস্তৱ ক্ষেত্ৰত তাক প্ৰয়োগ কৰা নহ'ল । কোঠাৰি আয়োগত কেইবাটাও গুৰুত্বপূৰ্ণ দিশত উপদেশ দিয়া হৈছিল। বাধ্যতামূলক বিজ্ঞান শিক্ষা, কৰ্ম অভিজ্ঞতা, কাৰিকৰী ঔদ্যোগিক, কৃষিৰ লগত সম্পৰ্কিত কৰ্ম অভিজ্ঞতাক বিশেষভাৱে গুৰুত্ব দিয়া হৈছিল। বহুকেইটা ইতিবাচক বাস্তৱধৰ্মী বিশেষত্বৰবাবে কোঠাৰি আয়োগ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ক্ষেত্ৰত বিশেষভাৱে ফলপ্ৰসু হোৱাৰ সুযোগ বহন কৰিছিল। কিন্তু সেই আয়োগৰ নীতিও সংসদৰ মজিয়াত বিলীন হৈ গ'ল।

বৰ্ত্তমানলৈকে ৰাষ্ট্ৰীয় শিক্ষানীতিত যি দেখা গৈছে সময়ে সময়ে পৰিৱৰ্তনমুখী আঁচনি প্ৰস্তুত হৈছে, সংসদত গৃহীত হৈছে আৰু কাৰ্যক্ষেত্ৰত প্ৰয়োগ নোহোৱাকৈয়ে পিছলৈ গুৰুত্বহীন হৈ পৰিছে। সেয়ে আজি ৬০ টা বছৰেও ৰাষ্ট্ৰৰ শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তন নঘটিল। তাৰ প্ৰধান কাৰণটো হৈছে যে বৰ্ত্তমানৰ শিক্ষাৰ লগত দেশৰ মাটি-পানীৰ লগত কোনো সম্পৰ্ক নাই, বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ শিক্ষাৰে নতুন সৃষ্টিশীল উৎপাদন বৃদ্ধিৰ কোনো সুযোগ নাই। যিবোৰক ঔদ্যোগিক নীতি বুলি প্ৰচাৰ কৰা হৈছে সেইবোৰ একশ্ৰেণী বৈদেশীক বাণিজ্যৰ লগত সম্পৰ্কিত পুঁজিবাদী, বহুজাতিক ব্যৱসায়ীৰ স্বাৰ্থৰক্ষাতে সীমাবদ্ধ হৈ ৰৈছে, দেশৰ তৃণমূল জনসাধাৰণলৈ ই বিকশিত নহ'ল। কেৱল বিদ্যায়তনিক, কৰ্মবিমুখ, পৰীক্ষামুখী, চাকৰিমুখী, বাস্তৱ জীৱন বিমুখ শিক্ষাৰ আওতাত সোমাই অৱহেলা, ক্ষোভ, হতাশা, ক্ষুধা আৰু প্ৰচণ্ড অক্ৰোশত এই ব্যৱস্থাৰ পৰিৱৰ্তন বিচাৰি সমাজৰ প্ৰতি, জীৱনৰ প্ৰতি অতি সংবেনশীল ছাত্ৰ-যুৱকসকল ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হয়। আৰম্ভ হয় আন্দোলন, বিদ্ৰোহ, বিপ্লৱ। সমাজ পৰিৱৰ্তনৰ লক্ষ্যৰে পৃথিৱীৰ ইতিহাসত ফৰাছী, ৰুছ, কিউবা, চীন ইত্যাদি প্ৰায় প্ৰতিখন দেশতে ৰাষ্ট্ৰ বিপ্লৱৰ সূচনা হৈছিল। বৰ্ত্তমানেও এনে এখন দেশ নোলাব যিখন দেশত পৰিৱৰ্তনমুখী সমাজ বিপ্লৱৰ জয়যাত্ৰা হোৱা নাই।

অসম দেশতো ৰাষ্ট্ৰীয় নীতিৰ বিৰুদ্ধাচৰণ কৰি বিভিন্ন সময়ত বিভিন্ন আন্দোলনৰ প্ৰকাশ ঘটিছিল। বৰ্তমানেও ৰাষ্ট্ৰীয় অনীতি, শোষণ-নিষ্প্ৰেষণ, অৱহেলাৰ বিৰুদ্ধে সমাজ পৰিৱৰ্তনৰ লক্ষ্যৰে পূৰ্ণগতিত সংগ্ৰাম চলিত হৈ আহিছে আৰু যেতিয়ালৈকে ৰাষ্ট্ৰৰ নীতি সমাজৰ ব্যাপক স্বাৰ্থৰ সপক্ষে নহয়, সমাজৰ সাধাৰণ পৰ্যায়লৈকে বিকাশৰ লক্ষ্য পৰিপূৰণ নহয়, উৎপাদনমুখী, বাস্তৱ জীৱন সংগ্ৰামৰ লগত সংগতি ৰক্ষাকাৰী শিক্ষা ব্যৱস্থা, উদ্যোগনীতিৰ পৰিৱৰ্তন নহয় তেতিয়ালৈকে অসমত ছাত্ৰ আন্দোলন, সমাজৰ সৰ্বতোমুখী আন্দোলন নিঃশেষ নহয়।



ওপৰত আজিৰ পৰা ছয়টা দশক ধৰি চলি অহা সাম্প্ৰতিক ৰাষ্ট্ৰীয় তথা প্ৰাদেশিক শিক্ষানীতিৰ সামগ্ৰিক স্বৰূপটো থুলমূলকৈ দাঙি ধৰা হ'ল। এই শিক্ষা নীতিৰ পৰা যে অসমৰ শিক্ষা ব্যৱস্থা বিশেষ একো উপকৃত হোৱা নাই সেই কথা অনুমান কৰিবলৈ অসহজ নহয়। নিশ্চিতভাৱে এই ব্যৱস্থাটোৰ সলনি কৰিবলৈ পৰিৱৰ্তনকামী প্ৰতিজন চিন্তাশীল ব্যক্তিৰ মনত ব্যগ্ৰতাৰ ভাৱ জাগৃত হয়। অকলশৰীয়াকৈ সমাজ পৰিৱৰ্তনৰ কথা ভাবিব নোৱাৰি। কিন্তু একগোট হৈ সদলবলে বহু অসম্ভৱ কামো সম্ভৱ কৰিব পাৰি। অসমীয়াত এষাৰ কথা আছে - ৰাইজে নখ জোকাৰিলৈ নৈ বয়। প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বিপৰীতে কেনেধৰণৰ নীতি প্ৰয়োগ হ'লে এক ফলপ্ৰসূ আৰু বিকাশমুখী ব্যৱস্থা এটা গঢ়ি তুলিব পৰা হ'ব তাৰে এক নমুনা তৈয়াৰ কৰিবলৈ আমি যত্ন কৰিছোঁ। এয়া নিতান্তই ৰাইজৰ লগতে নখ জোকৰা এটোপাল পানীহে। সংযোগ বিয়োগৰ বাট নিশ্চিতভাৱে খোলা থাকিব। তলত আঁচনিৰ নমুনাটো উল্লেখ কৰা হ'ল -

১) প্ৰাথমিক শিক্ষা পৰ্যায়ত সাধাৰণ বিদ্যায়তিক শিক্ষা দিয়াৰ উপৰিও কৃষিৰ প্ৰতি, কৰ্মৰ প্ৰতি, সুস্থ মনোভাৱ জগাই তুলিব পৰা পাঠ সন্নিবিষ্ট কৰিব লাগিব।

২) সমাজৰ পৰা কু-সংস্কাৰ, অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামি, গোষ্ঠীগত গোড়ামি আঁতৰাবৰ বাবে বিজ্ঞান সন্মত মানসিকতা গঢ়ি তুলিব পৰা শিক্ষাত বিশেষভাৱে গুৰুত্ব দিব লাগিব।

৩) নিম্ন মাধ্যমিক শিক্ষা পৰ্যায়ত বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত প্ৰচলিত লিপি আৰু পাঠ্যপুথি থকা ভাষাসমূহৰ যিকোনো এটাৰ হ'লেও শিক্ষণ বাধ্যতামূলক কৰিব লাগিব। উদাহৰণস্বৰূপে এটা অঞ্চলত বিভিন্ন ভাষা-ভাষী জনগোষ্ঠীৰ মানুহ বাস কৰে। তাৰ ভিতৰত বড়ো আৰু মিচিং ভাষাভাষীলোক যদি সংখ্যাগৰিষ্ঠ তেতিয়াহ'লে সেই অঞ্চলৰ নিম্ন মাধ্যমিক বিদ্যালয়ত বড়ো আৰু মিচিং ভাষা শিকাটো সেই অঞ্চলটোৰ বাবে বাধ্যতামূলক হ'ব। (অৱশ্যে এটা কথা উল্লেখ কৰিবলগীয়া যে অসমত প্ৰচলিত আটাইবোৰ ভাষাৰে লিখিত ৰূপ নাই) বড়ো, কাৰ্বি, মিচিং, ৰাভা, দেউৰী ডিমাছা প্ৰতিটো ভাষাই বৰ্ত্তমান বাংলা, অসমীয়া, হিন্দী, ইংৰাজী যিকোনো এটা ভাষাৰ লিপি ব্যৱহাৰ কৰি লিখিত ৰূপ প্ৰদান কৰা হৈছে। কিন্তু টাইভাষী খামতি, টাই টুৰুং, টাই খাময়াং, টাই আইতনীয়া আদিৰ নিজা লিপি আছে। অৱশ্যে মূল টাই ভাষা ক'ব পৰা মানুহ এতিয়া খুউব কমেই আছে। এই ভাষা কোৱা লোকখিনিয়ে অসমীয়া ভাষাকে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিবলৈ লোৱাৰ পৰা এই ভাষাকেইটা দেওধাই বাইলুং শ্ৰেণীৰ মাজতহে সীমাবদ্ধ হৈ ৰৈছে।

৪) শিক্ষানীতি সকলো জাতি-ধৰ্মৰ কাৰণে নিৰপেক্ষ হ'ব লাগিব।

৫) দেশৰ মাটি, পানী, জলবায়ু, উৎপাদন ব্যৱস্থা জাতি গঠন প্ৰক্ৰিয়া, সমাজ বিকাশৰ লগত সংগতি থকা পাঠ্যক্ৰম প্ৰস্তুত হ'ব লাগিব। তাৰবাবে প্ৰচলিত গতানুগতিক শিক্ষাৰ প্ৰতি অন্ধ মোহ পৰিত্যাগ কৰিবলৈ সকলো মানসিকভাৱে



OKDISCD

প্ৰস্তুত হ'ব লাগিব। অৱশ্যে এই ব্যৱস্থা গঢ়ি উঠিবৰ বাবে সমাজ ব্যৱস্থাৰ বৈপ্লৱিক পৰিৱৰ্তন হ'ব লাগিব।

৬) যি বিষয়ৰে শিক্ষা প্ৰদান কৰা নহওক তাক কৰ্মক্ষেত্ৰতো প্ৰয়োগ কৰি দেখুৱাব পৰা ব্যৱস্থা থাকিব লাগিব। উদাহৰণস্বৰূপে, কৃষি সম্পৰ্কীয় পাঠ প্ৰদান কৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰীক পথাৰলৈ নি বাস্তৱিক অভিজ্ঞতা লাভ কৰিবলৈও দিব লাগিব। সেইদৰে কুটীৰ শিল্পই হওঁক, বিভিন্ন কাৰিকৰী বৃত্তিমুখী শিক্ষা হওঁক হাতে-কামে কৰিব পৰা সুবিধা থাকিব লাগিব। এইবোৰ পৰীক্ষাৰ কাৰণে কেৱল নম্বৰ দিয়াৰ ভিত্তিত হ'লে নহ'ব, ছাত্ৰ-ছাত্ৰীয়ে তৈয়াৰ কৰা সামগ্ৰী বিক্ৰীৰ জৰিয়তে পাৰিশ্ৰমিক লাভ কৰিব পৰা ব্যৱস্থা থাকিব লাগিব। প্ৰয়োজনৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীসকলৰ উৎপাদিত বস্তু বিক্ৰীৰ বাবে বজাৰৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে সেই কৰ্মৰ প্ৰতি তেওঁলোকৰ শ্ৰদ্ধা আৰু উৎসাহ ভাৱ জাগৃত হ'ব আৰু তেনে কাৰিকৰী বিদ্যাৰ যোগেদিও যে কৰ্মসংস্থান পাব পাৰি, অৰ্থ উপাৰ্জন কৰি ভৱিষ্যতৰ পথ সুগম কৰিব পাৰি সেই সম্পৰ্কে উপলব্ধি হ'ব, দৃঢ় বিশ্বাসৰ জন্ম হ'ব।

৭) উচ্চ মাধ্যমিক আৰু উচ্চ শিক্ষাৰ পৰ্যায়তো ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ, ইচ্ছা, দক্ষতা আৰু মেধা অনুযায়ী বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। অসমত বাঁহ, কাঠৰ উদ্যোগ প্ৰসাৰণৰ যথেষ্ট সুযোগ আছে, বিশ্ব বজাৰত সমাদৰ লাভ কৰিব পৰা অলেখ সুবিধা আছে। বিদ্যালয়, মহাবিদ্যালয় পৰ্যায় বাঁহ উদ্যোগৰ ওপৰত পাঠ্যক্ৰম প্ৰস্তুত কৰি আনুষ্ঠানিক শিক্ষা প্ৰদানৰ যোগেদি ছাত্ৰ-ছাত্ৰীক আগ্ৰহী কৰি তুলিব পৰা পূৰ্ণ সুযোগ আছে।

৮) যিকোনো প্ৰগতিশীল নব্য উদ্ভাৱন, নব্য উদ্ভাৱনৰ ব্যৱহাৰত যথোপযুক্ত উৎসাহ দিব লাগিব। প্ৰয়োজন হ'লে আৰ্থিক সাহাৰ্যও দিব লাগিব।

৯) সাধাৰণ সেৱামূলক বৃত্তিমুখী শিক্ষাকো গুৰুত্ব দিব লাগিব। কিন্তু বৃত্তিয়ালসকলক সমাজৰ প্ৰকৃত সেৱা তথা প্ৰগতিশীল কাৰ্যত নিয়োগ কৰিব পৰা ব্যৱস্থা হ'ব লাগিব।

১০) দেশৰ প্ৰাকৃতিক সম্পদৰ ওপৰত ভিত্তি কৰি প্ৰয়োজনীয় পাঠ্যক্ৰম আৰু তাৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। তাৰ কাৰণে প্ৰথম অৱস্থাত প্ৰশিক্ষণপ্ৰাপ্ত দক্ষ শিক্ষকৰ অভাৱ হোৱাটো স্বাভাৱিক। সেই অভাৱ পূৰণ কৰিবৰ বাবে বিদেশৰ পৰা শিক্ষক, প্ৰযুক্তিবিদ আমদানি কৰিব লাগিব নহ'লে দেশীয় লোকক প্ৰশিক্ষিত কৰি আনিব লাগিব। সেই সকলক সম্পূৰ্ণৰূপে দেশীয় স্বাৰ্থত নিয়োগ কৰিবই লাগিব।

১১) বৰ্ত্তমান শিক্ষানীতিত অতি পৰিকল্পিতভাৱে বৰ্জিত ভুগোল আৰু বুৰঞ্জী বিদ্যালয়ত বাধ্যতামূলক কৰিব লাগিব। প্ৰতিখন দেশৰ ভুগোল আৰু অতীত বুৰঞ্জী অধ্যয়ন কৰাটো শিক্ষাৰ এক অপৰিহাৰ্য অংগ। অতীতক জানিলেহে, অতীতৰ দোষ-ক্ৰুটিবিলাক বিশ্লেষণ কৰিব পৰিলেহে বৰ্ত্তমানক সঠিক ৰূপত গঢ়ি তুলিব পাৰি। অতীতৰ শৌৰ্য-বীৰ্য, গৌৰৱে জাতিটোৰ উত্থান আৰু সমন্বয়ত সাহস, প্ৰেৰণা



আৰু উৎসাহ যোগায়। আকৌ দেশখনৰ ভৌগোলিক অবয়ৱ, ভৌগোলিক বৈশিষ্ট্য বিভিন্ন দেশৰ লগত তুলনামূলক জ্ঞানৰ ভেটিত প্ৰতিষ্ঠিত নহ'লে দেশৰ বৈশিষ্ট্যৰ ভেটিত শিক্ষা বিকাশ নহ'ব। স্পষ্টতঃ ভৌগোলিক জ্ঞানেহে দেশৰ মাটি জলবায়ুৰ বিশেষত্বৰ ওপৰত প্ৰতিষ্ঠিত ন-ন উদ্ভাৱনশীল বিকাশমুখী আঁচনিৰ সৃষ্টি সম্ভৱ হ'ব।

১২) অসমখন পাহাৰীয়া - ভৈয়মীয়া বিভিন্ন জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ। এইসকল অধিবাসীক অনুসূচীত জাতি-জনজাতি আদি বিভেদকামী নীতিৰে পৃথক কৰাৰ বিপৰীতে শিক্ষা আঁচনিয়ে তেওঁলোকৰো সৰ্বতোমুখী বিকাশৰ ব্যৱস্থা কৰিব লাগিব। দেশত সামাজিক শ্ৰেণীদ্বন্দ নাইকীয়া কৰিবৰ বাবে শিক্ষানীতি সকলোৰে কাৰণে সমান হ'ব লাগিব।

১৩) জাতিটোৰ সমাজ আৰু সংস্কৃতিৰ ক্ৰমবিকাশ, তাৰ বিকাশৰ বিভিন্ন ধাৰা সম্পৰ্কীয় পাঠ, পাঠ্যপুথিত সন্নিবিষ্ট হ'ব লাগিব।

১৪) ৰাজনৈতিক সচেতনতা তথা জ্ঞান বৃদ্ধিৰ বাবে শিক্ষানুষ্ঠানত দৃশ্য-শ্ৰাব্যৰ বিভিন্ন মাধ্যমৰ ব্যৱস্থা থাকিব লাগিব।

১৫) ধৰ্ম আৰু ৰাজনীতিক পৃথক কৰিব পৰা ব্যৱস্থা শিক্ষানীতিৰ ভিতৰুৱা হ'ব লাগিব। কোনো শিক্ষানুষ্ঠানতে একপক্ষীয় ধৰ্মীয় শিক্ষা দিয়া ব্যৱস্থা বৰ্জন কৰি লাগিব।

এখন দেশৰ দেশীয় শিক্ষানীতিয়ে সেই দেশৰ সামগ্ৰিক স্বৰূপটো পোহৰাই তোলে। প্ৰগতিশীল প্ৰকৃত শিক্ষাইহে এখন দেশৰ শান্তি প্ৰগতি আৰু বিকাশৰ অগ্ৰগতিৰ দিশ সূচনা কৰে। গতিকে অসমীয়া জাতিয়েও অৰ্থনৈতিক জাতীয়তাৰ ভেটিত প্ৰতিষ্ঠিত শিক্ষাৰ প্ৰমূল্য হৃদয়ংগম কৰিব লাগিব আৰু ফলপ্ৰসু প্ৰয়োগসাপেক্ষে আঁচনি ৰূপায়ণ কৰিবলৈ সক্ষম হ'ব লাগিব। নহ'লে এক পঙ্গু জাতি হিচাপে বিশ্বায়ণৰ সোঁতত উটি-ভাঁহি নিঃশেষ হৈ যাব লাগিব।

□□□

# বিকেন্দ্ৰীকৃত আত্মনিয়ন্ত্ৰণ আন্দোলনৰ প্ৰাসঙ্গিকতা

❑ আদিত্য বড়া

অসমৰ সমাজ জীৱনত অতি স্পষ্টৰূপত আত্ম প্ৰকাশ কৰা ৰাজনৈতিক বক্তব্যটোৱেই হৈছে আত্ম নিয়ন্ত্ৰণ অধিকাৰৰ দাবী। আত্মনিয়ন্ত্ৰণ অধিকাৰৰ দাবীকে কেন্দ্ৰ কৰি বহু গণ সংগঠনৰ জন্ম হৈছে। আনকি এই দাবীক মূল দাবী বুলি গণ্য নকৰা বহু সংগঠনেও এই বিষয়টো এৰাই চলিব পৰা নাই। অৱশ্যে বিভিন্ন দল-সংগঠনৰ আত্মনিয়ন্ত্ৰণৰ দাবী সন্দৰ্ভত ব্যৱহৃত প্ৰতিশব্দ, আত্মনিয়ন্ত্ৰণৰ ব্যাখ্যা, ইয়াৰ আধাৰ সন্দৰ্ভত বক্তব্য ভিন্ন ধৰণৰ আৰু ইয়াতেই সন্নিবিষ্ট হৈ আছে আত্মনিয়ন্ত্ৰণৰ দাবী সন্দৰ্ভত এক বস্তুনিষ্ঠ বিতৰ্কৰ অৱকাশ। আমাৰ এই আলোচনাত সেইবাবেই আত্মনিয়ন্ত্ৰণৰ লগত জড়িত বিভিন্ন বিষয় পুঙ্খানুপুঙ্খভাৱে আলোচনা কৰাৰ লগতে বিতৰ্ক সমূহ তুলি ধৰা হ'ব।

**<u>আত্মনিয়ন্ত্ৰণ আন্দোলনৰ বস্তুগত ভিত্তি</u> ঃ**

এতিয়া প্ৰথম কথা হ'ল - আত্মনিয়ন্ত্ৰন শব্দটোৰ আক্ষৰিক অৰ্থ কি? 'আত্মনিয়ন্ত্ৰণ' শব্দটোৰ আক্ষৰিক অৰ্থটোৱেই হৈছে নিজে নিজক নিয়ন্ত্ৰণ কৰা। অৰ্থাৎ কোনো এটা ভুখণ্ডত বাস কৰা জনসমষ্টি এটাই নিজক নিজে নিয়ন্ত্ৰণ কৰা। জনসমষ্টিটোৰ অৰ্থনৈতিক, ৰাজনৈতিক, প্ৰশাসনিক এই সকলো বিষয়তে অন্য জাতি-জনগোষ্ঠীৰ শাসন শোষণৰ অৱসান ঘটাই নিজস্ব অৰ্থনৈতিক, ৰাজনৈতিক, প্ৰশাসনিক অধিকাৰ সাব্যস্তকৰণ কৰা। এক কথাত ই এটা জনসমষ্টিৰ সম্পূৰ্ণ অৰ্থনৈতিক, ৰাজনৈতিক আৰু প্ৰশাসনিক দিশত সম্পূৰ্ণ স্বতন্ত্ৰতাৰ অধিকাৰৰ স্বীকৃতি প্ৰদান। গতিকে এনে স্বীকৃতি তেতিয়াহে সম্পূৰ্ণ আৰু সুস্থ বুলি গ্ৰাহ্য কৰা হ'ব যেতিয়া জনসমষ্টিটোৱে আত্মনিয়ন্ত্ৰণ অধিকাৰ পোৱাৰ পাছত অন্য কোনো জনসমষ্টিৰ লগত কেনেধৰণৰ সম্পৰ্ক ৰক্ষা কৰিব আৰু কাৰ লগত কেনেধৰণৰ সম্পৰ্ক ছেদ কৰিব এই অধিকাৰো নিৰ্দিষ্ট জনসমষ্টিটোৱে নিজস্বভাৱেই লাভ কৰিব লাগিব। তেতিয়াহে পূৰ্ণাঙ্গ অৰ্থবহ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ জনসমষ্টিটোৱে লাভ কৰিছে বুলি চিহ্নিত কৰিব পৰা হ'ব।

আত্মনিয়ন্ত্ৰণ অধিকাৰৰ দাবী উত্থাপনত আভ্যন্তৰীন ভিত্তি হৈছে জনসমাজত ক্ৰমে গঢ়লৈ উঠা গণতান্ত্ৰিক চিন্তা চেতনাৰ ক্ৰম বিকাশমান অৱস্থা অৰ্থাৎ জনসমাজত যিমানে গণতান্ত্ৰিক চিন্তাৰ বিকাশ ঘটিছে মানুহে সিমানেই নিজৰ অধিকাৰকলৈ সচেতন হৈ উঠিছে আৰু ইয়াৰ লগে লগেই নিজৰ অধিকাৰ নিজৰ হাতলৈ ঘূৰাই অনাৰ প্ৰাৱল্যতাও ক্ৰমে ক্ৰমে তীব্ৰ হৈ উঠিছে। প্ৰত্যেকজন ব্যক্তিয়ে অধিকাৰ সম্পৰ্কে সচেতন হৈ নিজৰ অধিকাৰ নিজৰ হাতলৈ ঘূৰাই অনাৰ যি তাড়না,



তাৰ মাজতেই নিহিত হৈ আছে আত্মনিয়ন্ত্ৰণ দাবীৰ মূল আভ্যন্তৰীন কাৰক।

আনহাতে নিজৰ অধিকাৰ নিজৰ হাতলৈ ঘূৰাই অনা প্ৰশ্নটোৰ লগত অঙ্গাঙ্গীকভাৱে জড়িত কথাটো হ'ল অন্য কোনোবাই তেওঁলোকৰ অধিকাৰ নিশ্চয় ভোগকৰি থাকিব লাগিব। অৰ্থাৎ ই দিন আৰু ৰাতিৰ দৰে সম্পৰ্কিত। কোনোবাই কাৰোবাৰ ওপৰত শোষণ নচলালে তাত আত্মনিয়ন্ত্ৰণৰ প্ৰশ্নও অবান্তৰ। অন্য হাতেদি য'ত আত্মনিয়ন্ত্ৰণৰ প্ৰশ্ন প্ৰাসঙ্গিক তাত নিশ্চিতভাৱে শোষণ-নিস্পেষণো অতিকে প্ৰাসঙ্গিক ৰূপতেই বিদ্যমান হৈ থাকিব। গতিকে ইয়াৰ ওপৰত ভিত্তি কৰিয়েই এটা কথা স্পষ্ট ভাৱে কব পাৰি যে শোষণ ব্যৱস্থাটোৱে কোনো এটা জনসমষ্টিক তীব্ৰ শোষণ নিস্পেষণৰ যোগেদি আত্মনিয়ন্ত্ৰণ অধিকাৰৰ দাবীত সংগঠিত হ'বলৈ বাধ্য কৰাই আৰু সম্পূৰ্ণ দান্দিকভাৱেই আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাবস্তকৰণৰ সংঘাত তীব্ৰ হৈ উঠে। গতিকে আত্মনিয়ন্ত্ৰণ অধিকাৰৰ সংগ্ৰামৰ দান্দিক বস্তুগত দিশ বিশ্লেষণ কৰিলে ইয়াৰ আভ্যন্তৰীণ কাৰণ হিচাপে গণতান্ত্ৰিক চিন্তা চেতনাৰ বিকাশ আৰু বাহ্যিক কাৰক হিচাপে ওপৰৰ পৰা জাপি দিয়া শোষণ-নিস্পেষণক স্পষ্টভাৱে আঙুলিয়াব পাৰি। এই দুই কাৰকৰ প্ৰভাৱতেই আত্মনিয়ন্ত্ৰণ আন্দোলনে তীব্ৰতা পাই আহিছে।

গতিকে এনে আন্দোলনে স্বাভাৱিকতেই গতিশীলতা যে পাবই ই সুৰ্যোদয়ৰ দৰেই স্পষ্ট। যেতিয়া কোনো এটা জনসমষ্টিয়ে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দাবী কৰে ই স্বাভাৱিকতে অধিকাৰ কোষিগত কৰা এটা কেন্দ্ৰীভুত ব্যৱস্থাৰ বিৰুদ্ধেই জেহাদ ঘোষণা কৰে। অধিকাৰ কোষিগত কৰা সকলো ব্যৱস্থাৰেই প্ৰণালী তথা প্ৰক্ৰিয়াৰ সুসংহত ব্যাখ্যা কৰে আৰু ইয়াৰ প্ৰতিটো উপাংগৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰে। কিন্তু এইখিনিতে লক্ষনীয় যে ই নিজস্ব যিটো জনসমষ্টিৰ বাবে আত্মনিয়ন্ত্ৰণ অধিকাৰৰ দাবীত সংগ্ৰাম পৰিচালনা কৰে সেই জনসমষ্টিৰ প্ৰতিজন ব্যক্তিকে সমঅধিকাৰৰ পৰা বঞ্চিত একে শ্ৰেণীৰ প্ৰতিনিধি হিচাপে চিহ্নিত কৰিব বিচাৰে। সংগ্ৰামী শক্তিৰ নেতৃত্বই বহুসময়ত সংগ্ৰামী শক্তিৰ মাজত শ্ৰেণী বিভাজন হলে শক্তি হ্ৰাস ঘটিব বুলি শংকিত হৈয়ো এনে অপব্যাখ্যাৰ আয়োজন কৰে। অৰ্থাৎ নিজৰ ভিতৰত সহযোগিতাৰ লাইনৰ প্ৰাসঙ্গিকতাৰ দোহাই দি স্বাভাৱিক সংঘাতক আওকান কৰিব বিচাৰে। এনে ঘটনাই অৱশ্যেই জটিলতা হ্ৰাস কৰাতকৈ বঢ়াইহে তুলে। অৰ্থাৎ কোনো জনসমষ্টিয়ে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰাপ্তি হলেও আনকি বহু সময়ত সংগ্ৰামৰ মূহুৰ্ততো জনসমষ্টিটোৰ নিম্ন শ্ৰেণীবোৱে আত্ম নিয়ন্ত্ৰণ অধিকাৰৰ সংগ্ৰামখনকে সন্দেহৰ দৃষ্টিৰে পৰ্যালোচনা কৰা দেখা যায় আৰু সংগ্ৰামখনত আন্তৰিকতাৰে অংশগ্ৰহণ কৰাটো বাদেই বৰঞ্চ দূৰৱৰ্তী স্থানতহে অৱস্থান কৰে। ফলশ্ৰুতিত সংগ্ৰামী শক্তি সহযোগিতাৰ লাইনেৰে সৰ্বশক্তিমান কৰিব বিচাৰিলেও স্বাভাৱিক শ্ৰেণী সংঘাতে তাক সন্দেহজনক স্থানত অৱস্থান কৰাই সংগ্ৰামী শক্তিক



OKDISCD

দুৰ্বলহে কৰি তোলে।

গতিকে এনেস্থলত আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ সংগ্ৰামৰ দৃষ্টি-ভঙ্গী তথা নীতি-নিৰ্দেশনা সুস্পষ্ট হোৱাতো অপৰিহাৰ্য। সুস্পষ্ট নীতি-নিৰ্দেশনাৰ যোগেদিহে জনসাধাৰণক সংগ্ৰামখনৰ ওপৰত বিশ্বাস জন্মাব পৰা যাব আৰু জনগণৰ অংশ গ্ৰহণো সৰল হৈ উঠিব।

## অসমৰ আত্মনিয়ন্ত্ৰণ আন্দোলনৰ ইতিহাস ঃ

প্ৰাগঐতিহাসিক কালৰ পৰা আজিৰ অসম নামৰ প্ৰায় বিস্তৃত সমভূমিৰ উৰ্বৰ অঞ্চলত বিভিন্ন দিশৰ পৰা মঙ্গোলীয় জনগোষ্ঠী, নিগ্ৰোইড আৰু দ্ৰাবিড় আদি মূলৰ বিভিন্ন প্ৰজাতিৰ বিভিন্ন গোষ্ঠী আৰু গোত্ৰৰ প্ৰব্ৰজন ঘটিছিল। সময় আৰু সভ্যতাৰ লগে লগে এই বিভিন্ন গোষ্ঠীৰ কৃষ্টি, সংস্কৃতি আৰু জীৱন ধাৰণ পদ্ধতি অসম নামৰ এই ভূখণ্ডত বায়ু, পানী, মাটিৰ লগত স্তৰে স্তৰে পৰিবৰ্তিত হৈ ইয়াত এক উৎপাদন সম্পৰ্ক তথা জীৱন যাত্ৰাৰ সূচনা হৈছিল। প্ৰাচীন সাম্যবাদী সমাজ ব্যৱস্থাৰ জীৱন ধাৰণ পদ্ধতিৰে বিভিন্ন সমাজত বিভক্ত হৈ এই জনগোষ্ঠী সমূহে আচৰ্যজনকভাৱে দাস ব্যৱস্থাৰ পূৰ্ণাঙ্গ স্তৰত ভৰি নিদিয়াকৈয়ে কোনো জনগোষ্ঠীৰ লগত প্ৰব্ৰজিত সামন্তবাদী সমাজ ব্যৱস্থাত ভৰি দিয়ে। ফলত সমাজৰ জনজাতীয় কৃষ্টি-সংস্কৃতিৰ মাজতেই সামন্তবাদৰ প্ৰাতঃস্তৰ আৰম্ভ হয়। অৰ্থাৎ সেই সময়ত অসমৰ বিভিন্ন স্থানত ভূমি ভিত্তিক কিছু সৰু সৰু ৰাজ্যৰ অস্তিত্ব গঢ় লৈ উঠিছিল যদিও প্ৰকৃতি পূজা, নাৰী পূজা আদিকে কেন্দ্ৰ কৰি প্ৰায়বোৰ ৰীতি-নীতি জনজাতীয় সমাজৰ বৈশিষ্টৰ ওপৰত প্ৰতিষ্ঠিত আছিল।

থিক এই সময়তে অৰ্থাৎ ১২২৮ খ্ৰীঃত মঙ্গোলীয় ঠালৰ চুকাফাৰ আগমন আছিল অসমৰ বাবে এক ঐতিহাসিক ঘটনা। চুকাফাৰ আগমনৰ লগে লগে অসমৰ সাতৰাজ মাৰি এক ৰাজ কৰা নীতিৰ যোগেদি ক্ৰমে ক্ৰমে ক্ষুদ্ৰ ৰাজ্যসমূহ, ধ্বংস হৈ লাহে লাহে শক্তিশালী আৰু বৃহৎ আহোম ৰাজ্যৰ দিশে অসমৰ সমাজ জীৱন ধাৱমান হয়। আহোম ৰাজত্বৰ মাজৰ সময়খিনিত শংকৰদেৱৰ এক শৰণ নাম ধৰ্মৰ প্ৰচাৰৰ যোগেদি ক্ৰমে ক্ৰমে জনজাতীয় কৃষ্টি-সংস্কৃতিৰ সমন্বৰ দিশে অধিক গতিশীল হৈ উঠে। এইদৰেই প্ৰাগঐতিহাসিক যুগৰে পৰা বিভিন্ন ঘটনা-পৰিঘটনাৰ যোগেদি অসমৰ সমাজ জীৱনে এক জাতীয় জীৱনৰ দিশে ধাৱমান হয় যদিও অৱশ্যে ইও আকৌ বিতৰ্কাতীত যে অসমৰ জাতীয় জীৱন বিকশিক স্তৰত উপনীত হ'ল নে, ই আজিও বিকাশশীল হৈয়ে আছে বা কোনো কোনো জনগোষ্ঠীয়ে নিজকে এই জাতীয় জীৱনৰ অংগ বুলি ভাৱে আৰু কোনো কোনো জনগোষ্ঠীয়ে আজিও ইয়াৰ পৰা পৃথক বুলিও ক'ব খোজে। এই সকলো বিতৰ্ককে এক গৱেষণামূলক কাম বুলি ইয়াৰ সত্যাসত্যৰ হিচাপ-নিকাচ ইতিহাসলৈ থেলি দিও আমি কিন্তু এটা কথা ঐক্যমতত উপনিত হ'ব পাৰো যে অসমত যদি এতিয়া এটা বিকশিত জাতিৰ



কথা চিন্তা কৰা যায়, তেন্তে অসমীয়া জাতি বুলিয়েই তাক সংজ্ঞাবদ্ধ কৰাৰ বাহিৰে অন্য কোনো বিকল্প নাই। কাৰণ ইয়াত পুনৰ অন্য কোনো জনগোষ্ঠীয়েই এই সাৰ্বজনীন জাতীয় বিকাশৰ নেতৃত্বদায়ী অৱস্থানত উপনিত হোৱাৰ সম্ভাৱনা অৱশ্যেই নাই। তেনেস্থলত অসমৰ এই বৃহৎ ভূখণ্ডত বাস কৰা প্ৰতিজন ব্যক্তিয়েই অসমীয়া জাতীয়তাবাদৰ ভিতৰত বা ওচৰে-পাজৰেহে নিজৰ অস্তিত্বক ঘোষণা কৰিব পাৰে। তেনেস্থলত অসমীয়া জাতিৰ সংজ্ঞাক আমি নিম্নলিখিত ধৰণে ক'ব পাৰো।

ঐতিহাসিক সংমিশ্ৰন প্ৰক্ৰিয়াৰ মাজেৰে বিকাশমান অসমীয়া জাতি, সংমিশ্ৰনৰ বাহিৰত ৰৈ যোৱা খিলঞ্জীয়া জনগোষ্ঠীৰ অংশ আৰু নকৈ অসমীয়া ভাষা-সংস্কৃতিক আদৰি অসমৰ আৰ্থ সামাজিক অগ্ৰগতিত অৰিহণা আগবঢ়াই অসমৰ জাতীয় জীৱনৰ প্ৰতি দায়বদ্ধতা স্বীকাৰ কৰা খাটি খোৱা লোকসকল, এই সকলোবোৰেই হৈছে আজি অসমৰ ন্যাৰ্য্য অধিকাৰী।

সামাজিকভাৱে এই সকলোৰে সুষম বিকাশেই হৈছে অসমৰ বিকাশ, এই সকলোবোৰৰ সামগ্ৰীক স্বাৰ্থই হৈছে অসমৰ স্বাৰ্থ আৰু এই জনসমষ্টিটোৱেই হৈছে বৃহত্তৰ অসমীয়া জাতি।

ইতিহাসে ঢুকি পোৱাৰ দিন ধৰি স্বতন্ত্ৰবীয়া আৰু স্বাধীনচিতিয়া অসমৰ এই জনসমষ্টিটোৱে অসমীয়া জাতিৰ প্ৰৱাহিত ধাৰাৰ মাজলৈ গতি কৰোতেও স্বাধীন চেতীয়া ভাৱেই গতি কৰিছে। এই সত্য স্পষ্টৰূপত দেখুৱাবলৈ মাত্ৰ এটা কিংবদন্তিয়েই যথেষ্ট। অসমলৈ যেতিয়া চুকাফাৰ আগমন ঘটিছিল, তেতিয়া অসমৰ অন্যতম ঐতিহাসিক গোষ্ঠী মৰাণ সকলে চুকাফাৰ আগত একে ঘাপতে ম'হৰ শিং এটা দুটুকুৰা কৰাৰ চৰ্ত ৰাখিছিল আৰু চুকাফাই শিংটো একে ঘাপে দুটুকুৰা কৰাত তেওঁলোকে চুকাফাক নিজৰ ৰজা বুলি বিনা প্ৰতিবাদে সম্পূৰ্ণ গণতান্ত্ৰিক ভাৱেই গ্ৰহণ কৰিছিল। চুকাফাই সেই কথা বুজি উঠিছিল, গতিকে বলপূৰ্বক কোনো ৰাজ্য অধিগ্ৰহণ কৰাৰ চেষ্টা কৰাতকৈ বৈবাহিক সমন্ধ স্থাপনকে কেন্দ্ৰ কৰি বিভিন্ন সম্বন্ধ সৃষ্টিৰ ওপৰতহে অধিক গুৰুত্ব আৰূপ কৰিছিল। স্ব-ইচ্ছাই ৰাজত্ব মানি লোৱা মোৱামৰীয়াসকলৰ বিদ্ৰোহেও ইয়াকেই প্ৰমাণ কৰে যে অসমৰ জনগণ প্ৰকৃততেই স্বাধীনচেতিয়া, যেতিয়া জনগণে ৰজাৰ স্বেচ্ছাচাৰিতা দেখিছে তেতিয়া নিজেই স্বীকাৰ কৰি লোৱা ৰাজত্বৰ বিৰুদ্ধেই জেহাদ ঘোষণা কৰিছে।

পিছলৈ আহোম ৰাজতন্ত্ৰত সামন্তীয় ধ্যান-ধাৰণাৰ তীব্ৰতা বৃদ্ধি পোৱাৰ লগে লগে আহোম ৰাজতন্ত্ৰও ক্ৰমে ক্ৰমে ক্ষমতাৰ অৰিয়াঅৰি আৰু বিভিন্ন ধৰণৰ স্বেচ্ছাচাৰী ঘটনাৱাজী ঘটিবলৈ ধৰে। ইয়াৰ পৰিণতিতে ১৮১৭ চন, ১৮১৯ আৰু ১৮২১ চনত তিনিবাৰকৈ মান সেনাই অসম আক্ৰমণ কৰি সমাজ জীৱন বিধস্ত কৰি তোলে। শেষৰ বাৰ অৰ্থাৎ ১৮২১ চনত মান সেনাই আহোম ৰাজ সিংহাসনৰ পৰা চন্দ্ৰকান্ত সিংহক খেদি যোগেশ্বৰ সিংহক ৰজা পাতি সমগ্ৰ ৰাজ্যতে হত্যা-লুণ্ঠনৰ



OKDISCD

ৰাজত্ব চলাই। এনে অৱস্থাত গোৱীনাথ সিংহৰ আমন্ত্ৰণ ক্ৰমে ইংৰাজসকলে মানসেনাৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰে। ১৮২৪ চনত অসমত প্ৰৱেশ কৰা মান সেনাৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰি সেই যুদ্ধত মান সেনাক ঘটোৱাই ১৮২৪ চনৰ ২৬ জানুৱাৰীত মান সেনা আৰু ইংৰাজৰ মাজত ঐতিহাসিক 'ইয়াণ্ডাবু সন্ধি' স্বাক্ষৰিত হয়। ৰক্ষকেই ভক্ষক হোৱাৰ দৰেই সেই দিন ধৰি অসমে এক নিৰ্যাতনৰ পৰা মুক্তি পালেও অন্য এক সাম্ৰাজ্যবাদী আগ্ৰাসনৰ মাজলৈ নিমৰ্জ্জিত হ'ল।

ইংৰাজ সাম্ৰাজ্যবাদী শাসনৰ এনেধৰণৰ ধুৰ্তালি বুজি পায় ধনঞ্জয় গোঁহাই আৰু পিয়লি ফুকনে অসমৰ তিতাবৰ অঞ্চলত হাতী চিঞৰাই গোমধৰ কোঁৱৰক ৰজা পাতে আৰু বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে। ১৮২৬ আৰু ১৮৩০ চনৰ দুটা স্তৰত চলা এই বিদ্ৰোহ ব্যৰ্থ হয় আৰু ইয়াৰ লগে লগে বৃটিছৰ পুতলা ৰজা পুৰন্দৰ সিংহক বিতাৰিত কৰি ১৮৩৮ চনত অসম বৃটিছ শাসিত ভাৰতৰ অংগ ৰাজ্য হিচাপে ঘোষিত হয়।

উক্ত কথাৰ পৰা আমি সুস্পষ্টভাৱে মত প্ৰকাশ কৰিব বিচাৰো যে অসম ভাৰতৰ লগত চামিল কৰণ প্ৰক্ৰিয়া কেতিয়াও এক ঐতিহাসিক সংমিশ্ৰন প্ৰক্ৰিয়া নহয় বৰঞ্চ ই সাম্ৰাজ্যবাদী শক্তিৰ শোষণৰ স্বাৰ্থত এক বল পূৰ্বক সংযোগকৰণহে।

গতিকে এনে বলপূৰ্বক সংযোগকৰণে সংমিশ্ৰন ঘটোৱা বাদেই বৰঞ্চ সংঘাটৰ লাইনহে যে বিকাশ কৰিব ই অতি স্বাভাৱিক ঘটনা। গতিকে ইয়াৰ পৰিণতিতেই অসম আৰু ভাৰতৰ শাসক গোষ্ঠীৰ মাজত সংঘাটৰ ঐতিহাসিক ভ্ৰুণে বিকাশ লাভ কৰে। পাছলৈ ভাৰতৰ স্বাধীনতা আন্দোলনত যদিও বৃটিছক উচ্ছেদ কৰাৰ স্বাৰ্থত ভাৰতৰ সংগ্ৰামী জনগণৰ লগত অসমৰ সংগ্ৰামী জনগণ চামিল হৈছিল, তথাপিও স্বাধীনতাৰ পাছত এক পৃথক সত্তাৰ অস্তিত্বক পাহৰি পেলোৱা নাছিল। আনকি সংগ্ৰামকালীন অৱস্থাত অৰ্থাৎ ১৯৪২ চনত আৰম্ভ হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰা অসমৰ সকলো জাতি-জনগোষ্ঠিৰ প্ৰতিনিধিৰ উপস্থিতিত ১৯৪৫ চনৰ ২১, ২২ আৰু ২৩ মাৰ্চ তাৰিখে শ্বিলঙৰ খাচী দৰবাৰ হ'লত অনুষ্ঠিত এক জাতীয় অভিৱৰ্তনত ভাৰতৰ পৰা পৃথকৈকৈ এক স্বাধীন অসম গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ১৯৪৫ চনৰ ২০ এপ্ৰিল তাৰিখে শ্বিলঙৰ ট্ৰাইবেল সংঘৰ পঞ্চবাৰ্ষিক সভাত গ্ৰহণ কৰা প্ৰস্তাৱত স্পষ্টৰূপত এনেদৰে কোৱা হয় "ভাৰতৰ লগত বৰ্ণ সংস্কৃতিৰ দিশত সম্পূৰ্ণ পৃথক পৰিচয়যুক্ত অসমে নিজৰ স্বাধীনতাৰ বাবে সংগ্ৰাম কৰা উচিত।"

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হয়, স্বাধীনতাৰ পূৰ্বোত্তৰ দিন ধৰি আজি পৰ্যন্ত অসমৰ পৃথকীকৰণৰ দাবীত বিভিন্ন সময়ত বিভিন্ন ধৰণে উত্থাপিত হৈ আহিছে। তলত তাৰ কিছুমান সংক্ষেপে উল্লেখ কৰা হ'ল।

১) ১৯৪৬ চনত ১৬ আগষ্টত অসম বিধান সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয় যে



অসম প্ৰস্তাৱিত হিন্দুস্থান বা পাকিস্তানৰ লগত থকাৰ পৰিবৰ্তে স্বতন্ত্ৰ হৈ থাকিব।

২) নগাঁৱৰ পূৰ্ণ শৰ্মাই ১৯৪৭ চনৰ পূৰ্বেই স্বাধীন অসমৰ জাতীয় চৰকাৰ গঠন কৰিছিল আৰু স্বাধীন মন্ত্ৰীসভাৰ দপ্তৰ বিতৰণ কৰিছিল।

৩) স্বাধীনতাৰ আগেই যোৰহাটৰ চাৰিগাঁও নিবাসী ৰত্নেশ্বৰ বৰুৱাই নিৰ্জকে স্বাধীন অসমৰ ৰাষ্ট্ৰপতি বুলি ঘোষণা কৰে আৰু স্বাধীন চৰকাৰ গঠন কৰি বিভিন্ন মন্ত্ৰীত্বৰ দপ্তৰ বিতৰণ কৰে।

৪) ১৯৫৮ চনৰ ২৬ জানুৱাৰীত লাচিত সেনাই স্বাধীন অসমৰ দাবীত গোহাৰি চপা কৰিছিল।

৫) ১৯৭৯ চনৰ ৭ এপ্ৰিলত ৰংঘৰৰ বাকৰিত জন্ম লোৱা আলফাই আজিও স্বাধীনতা বা সাৰ্বভৌমত্বৰ দাবীত অচল-অটল হৈয়েই আছে।

৬) ১৯৩৭ ৰ ২৮ নৱেম্বৰত নীলমণি ফুকন আৰু অম্বিকাগীৰি ৰায়চৌধুৰীয়ে অসমৰ স্বাধীনতা তথা পৃথকিকৰণৰ প্ৰশ্নত পণ্ডিত জৱাহৰলাল নেহেৰুক স্মাৰকপত্ৰ প্ৰদান কৰে।

৭) ১৯৮৫ চনত সেই সময়ৰে সন্মিলিত যুৱ মৰ্চাই আত্মনিয়ন্ত্ৰনৰ প্ৰশ্নত গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত "অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ" শীৰ্ষক আলোচনাচক্ৰ আৰু মুকলি বিতৰ্কৰ আয়োজন কৰে। ইয়েই হয়তো অসমত পোন প্ৰথমবাৰৰ বাবে আত্মনিয়ন্ত্ৰণৰ ওপৰত শৃংখলিত আলোচনা আৰু ইয়াতেই বিচ্ছিন্নতাৰ অধিকাৰ সহ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্ন যুক্তি সন্মতভাৱে উপস্থাপন কৰা হয়। সন্মিলিত যুৱ মৰ্চাই ১৯৮৫ চনত অসমৰ মুখ্যমন্ত্ৰীৰ যোগেদি আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দাবীত ভাৰতৰ ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

৮) ১৯৮৮ চনত প্ৰস্তুত কৰা অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ইস্তাহাৰতো স্বায়ত্ব শাসন, দ্বি-নাগৰিকত্ব আদি বিষয়ত আলোচনা তথা দাবী জনোৱাৰ লগতে জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সম্পূৰ্ণ অৰ্থত স্বাধীনতাৰ অধিকাৰ বুলি উল্লেখ কৰা হৈছে।

৯) ইয়াৰ উপৰিও অসমৰ বিভিন্ন সংগঠন যেনে মানৱ অধিকাৰ সংগ্ৰাম সমিতি, কৃষক অধিকাৰ সংগ্ৰাম সমিতি আদি সংগঠনে আত্মনিয়ন্ত্ৰণৰ পক্ষত সৰল যুক্তি, দলিল তথা আন্তৰাষ্ট্ৰীয় সম্পৰ্কৰ লগতে বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে।

উক্ত তথ্যপাতিত লেখাৰ পৰিসৰ কমোৱাৰ লগতে বিভিন্ন অজ্ঞতাৰ হেতু অৰ্থাৎ স্পষ্টৰূপত সংগ্ৰহ নোহোৱা তথ্যৰ বাবে বহু কথা অৱশে ই বাদ পৰি ৰৈছে। উক্ত তথ্য পাতিৰ যোগেদি মাত্ৰ ইয়াকেহে বুজোৱা হৈছে যে মানৱ হাতৰ পৰা বল পূৰ্বক বৃটিছ ভাৰতৰ অংগীভুত হোৱা অসমত অধিকাৰ প্ৰতিষ্ঠাৰ বিভিন্ন প্ৰতিবাদী কাৰ্যসূচীৰ লগতে সৰল যুক্তিও প্ৰতিষ্ঠা হৈছে। গতিকে এনেস্থলত অসমৰ আত্মনিয়ন্ত্ৰণ অধিকাৰ ঐতিহাসিক সংগ্ৰামখন চলে-বলে-কৌশলে ভাৰতীয় মূলৰ

লগত অংগীভূত কৰি ৰখাৰ কোনো যৌক্তিক ভিত্তিও নাই আৰু আৱশ্যাম্ভাৱীভাৱেই ই স্থায়ীত্বহীন।

গতিকে এনেস্থলত বৃহৎ অসমীয়া জাতিৰ অধিকাৰৰ প্ৰশ্নত বিশ্বৰ সংগ্ৰামী শক্তিয়ে সমৰ্থন জনোৱাৰ লগতে ইয়াৰ প্ৰাৱল্যতা দিনক দিনে বৃদ্ধি হৈ পাইছে।

অন্যহাতেদি অসমৰ প্ৰাকৃতিক সম্পদ ৰাজিৰ ওপৰত স্তৰীভূত আধুনিক সাম্ৰাজ্যবাদৰ অন্যতম স্তৰত অৱস্থিত কেন্দ্ৰীভূত ভাৰত ৰাষ্ট্ৰৰ শোষণ শাসন তৰ্কাতীত ভাৱেই অনৈতিক তথা মানৱতা বিৰুধী। আকৌ ভাৰত ৰাষ্ট্ৰৰ কেন্দ্ৰিভুত আমোলাকেন্দ্ৰীক ৰাষ্ট্ৰব্যৱস্থাৰ মাজেদি অসমত সাম্ৰাজ্যবাদী আগ্ৰাসনৰ প্ৰাৱল্যতাও অতি প্ৰৱল। এনেস্থলত অসমৰ জনগণৰ এনে প্ৰতিবাদী সত্তাৰ সপক্ষে জাতীয় আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্নত আৱশ্যম্ভাৱী ভাৱেই প্ৰৱল যৌক্তিক ভিত্তি প্ৰতিষ্ঠা কৰাৰ লগতে আত্মনিয়ন্ত্ৰণৰ নাৰ্য্যতাও প্ৰতিপন্ন কৰে। গতেকে এনেক্ষেত্ৰত আমি আন্তৰাষ্ট্ৰীয় গণমত প্ৰতিষ্ঠাৰ স্বাৰ্থত এই আন্দোলনৰ সকলো দিশ পুংখানুপুংখভাৱে আন্দোলনৰ সপক্ষে মুকলিকৈ প্ৰচাৰ তথা আলোচনাৰ মেজলৈ ঠেলি দিয়াতো অতিকে অপৰিহাৰ্য হৈ উঠিছে।

অসমৰ জনগণে, আত্মনিয়ন্ত্ৰণ আন্দোলনৰ মাজত নিহিত সকলো দিশ বিতং পৰ্যালোচনা কৰাৰ লগতে গণ আন্দোলনৰ প্ৰাৱল্যতাও বঢ়াই তোলা অপৰিহাৰ্য। কিন্তুঅতি বিচাৰ্যজনকভাৱে এনে আন্দোলনৰ মাজতো বিতৰ্ক তথা তথ্যগত পৰ্যালোচনাৰ অভাৱত বিভিন্ন বিভ্ৰান্তিয়ে গা কৰি উঠিছে। এই আন্দোলনৰ সুস্থতা তথা সৱলতাৰ পক্ষে এনেধৰণৰ বিভ্ৰান্তিসমুহৰ ওপৰত বিতং আলোচনা আগবঢ়োৱা অতিকৈ প্ৰয়োজন হৈ উঠিছে।

## আত্মনিয়ন্ত্ৰণ অধিকাৰৰ প্ৰসংগিকতাত বিশ্বসম্প্ৰদায়ৰ ভূমিকা ঃ

উপনিবেশিক শোষণৰ প্ৰতিদন্দিতাতেই সূত্ৰপাত ঘটিল সমগ্ৰ বিশ্বজুৰা দুখনকৈ বিশ্বযুদ্ধৰ। বিশেষত দ্বিতীয় বিশ্বযুদ্ধৰ সম-সাময়িকভাৱে পুঁজি বিকাশৰ স্বাভাৱিক দন্দসমূহে সমগ্ৰ বিশ্বকে বিকল কৰি পেলালে। সেই সময়ত বিশেষত প্ৰধান দন্দ হিচাপে তিনিটা দন্দই তীব্ৰ ৰূপ ধাৰণ কৰিলে।

১) পুঁজিবাদৰ আধুনিক উৎপাদনী ব্যৱস্থাৰ অধিক উৎপাদনে অধিক লাভ আহৰণৰ স্বাৰ্থত অধিক বজাৰ অধিগ্ৰহণৰ তাগিদাত ন-ন উপনিবেশ স্থাপনৰ প্ৰয়োজনীয়তা সৃষ্টি কৰিলে আৰু ইয়াৰ ফলশ্ৰুতিতে পুঁজিবাদী দেশসমূহে সাম্ৰাজ্য বিস্তাৰ তাগিদাত নিজস্ব আভ্যন্তৰীণ তীব্ৰ দন্দৰ সূচনা কৰিলে আৰু এই দন্দই বিশ্বযুদ্ধৰ সূচনা কৰি পৃথিৱীৰ প্ৰধান প্ৰধান সাম্ৰাজ্যবাদী শক্তি সমূহক অৰ্থনৈতিক তথা প্ৰশাসনিকভাৱে বিধস্ত কৰি পেলালে।

গতিকে প্ৰথম বিশ্বযুদ্ধৰ পাছৰ পৰাই সাম্ৰাজ্যবাদী শক্তিবোৰে আত্মবিধ্বংসী যুদ্ধ পৰিহাৰ কৰি কেনেকৈনো সাম্ৰাজ্যবাদ বনাম সাম্ৰাজ্যবাদ দন্দক প্ৰশমিত কৰিব পাৰি তাৰ উপায় উদ্ভাৱন কৰাত লাগিল। ইয়াৰ পৰিণতিতে জাতি সংঘৰ জন্ম হয়। জাতি সংঘৰ গঠনৰ মজিয়াতে পুনৰ দ্বিতীয় বিশ্বযুদ্ধৰ সূচনা হয়। এই দ্বিতীয় বিশ্বযুদ্ধ সাম্ৰাজ্যবাদী ইউৰোপীয় গোষ্ঠীক বাৰুকৈ বিধবস্ত কৰে। ইয়াৰ অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে যুদ্ধ বন্ধ কৰাৰ অপৰিহাৰ্য্যতাক প্ৰতিপক্ষই বাৰুকৈয়ে উপলব্ধি কৰে। ফলশ্ৰুতিত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত অকামিলা হৈ পৰা জাতি সংঘই ৰাষ্ট্ৰসংঘৰ ৰূপত অধিক শক্তিশালী ভাৱে আত্মপ্ৰকাশ কৰে। অন্যহাতে নব্য স্বাধীনতা প্ৰাপ্ত আমেৰিকাই ইতিপূৰ্বে পুঁজিবাদৰ আধুনিক উৎপাদন প্ৰণালীৰ যোগেদি ক্ৰমে শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিছে। প্ৰকাৰন্তে দুয়োখন যুদ্ধতে আমেৰিকাৰ অংশগ্ৰহণ তুলনামূলকভাৱে যথেষ্ট এৰাধৰামূলক হোৱাৰ লগতে শেষৰ ফালে আনৱিক শক্তিৰ প্ৰয়োগেৰে দিকনিৰ্ণায়ক ভূমিকাত অৱতীৰ্ণ হোৱাত দেশীয় অৰ্থনীতিৰ বিশেষ ক্ষয়ক্ষতি নোহোৱাকৈয়ে আমেৰিকা এক নব্য পুজিবাদী অৱস্থানত উপনিত হৈছিল। আমেৰিকাৰ নেতৃত্বতেই শক্তিশালী অৱস্থানত অৱস্থিত হোৱা ৰাষ্ট্ৰ সংঘই সৰলভাৱে যুদ্ধ বিৰোধী স্থিতি গ্ৰহণ কৰে।

২) পুজিবাদৰ যন্ত্ৰশিল্পৰ দ্বাৰা উৎপাদিত উন্নত আৰু দ্ৰুত উৎপাদিত সামগ্ৰী সমূহে উপনিবেশিক জনসাধাৰণৰ মাজত লাহে লাহে সামন্তীয় বান্ধোনসমূহ ক্ষয় নিয়াবলৈ ধৰে আৰু উৎপাদিত সামগ্ৰী ব্যৱহাৰৰ যোগেদি সমাজৰ সাংস্কৃতিক জীৱনত অভূতপুৰ্ব পৰিৱৰ্তনে দেখা দিয়ে। পুজিবাদী উৎপাদিত সামগ্ৰীৰ ব্যৱহাৰে সামন্তীয় সমাজৰ বান্ধোনবোৰ ব্যৱসায়িক কাৰণতেই চিভি-ভাঙি পুঁজিমুখী বজাৰ সংস্কৃতিৰ দিশে সমাজ গাঠনি বিলাক ধাবমান হব ধৰে। পুঁজিবাদৰ মুলমন্ত্ৰ গণতান্ত্ৰিক চিন্তা চেতনাও এই ব্যৱস্থাৰ অনবদ্য উপহাৰ হিচাবে উপনিবেশৰ জনসাধাৰণৰ মাজলৈ প্ৰবাহিত হবলৈ ধৰে। সাম্ৰাজ্যবাদী বজাৰক ৰক্ষণা-বেক্ষণ দিয়াৰ স্বাৰ্থতেই সাম্ৰাজ্যবাদৰ পৃষ্ঠপোষতাত গঢ় লৈ উঠা মধ্য শ্ৰেণীৰ একাংশ নেতৃত্বই উপনিবেশ বিলাকত বুমেৰাং ৰূপত গণতন্ত্ৰক মূলমন্ত্ৰৰূপত লৈ সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ পাতনি মেলে। সামন্তীয় বান্ধোনৰ মেৰপেচত সোমাই থকা জনসাধাৰণেও গণতান্ত্ৰিক চিন্তা চেতনাৰ সোৱাদ পাই এনে জাতীয় মুক্তিৰ জাতীয়তাবাদী সংগ্ৰামত হাত উজান দিয়ে। ফলশ্ৰুতিত প্ৰায় প্ৰতিখন উপনিবেশতেই ইউৰোপীয় সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনে জংগী ৰূপ ধাৰণ কৰে।

৩) এই সময়খিনিৰ ভিতৰৰ আটাইতকৈ গুৰুত্বপুৰ্ণ কিন্তু অদৃশ্যদ্বন্দটো আছিল অৰ্থনৈতিক ভাৰসাম্যহীনতাৰ দ্বন্দ। অৰ্থাৎ পুজিবাদী উৎপাদনৰ উৎপাদনী ব্যৱস্থা আৰু সামন্তবাদী বজাৰ ব্যৱস্থাৰ সমাহাৰেৰে যি সাম্ৰাজ্যবাদী শোষণৰ পাতনি মেলা হৈছিল ই আছিল অতিকৈ বিসংগতিপুৰ্ণ। পুজিবাদ আৰু সামন্তবাদ স্বাভাৱিকতে দুটা বিপৰীত মেৰুযুক্ত সামাজিক প্ৰক্ৰিয়া স্বাভাৱিকতে দুয়োটা ব্যৱস্থাতেই উৎপাদনৰ

লক্ষ্য উদ্দেশ্য উৎপাদনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ বিপৰীত। আনকি উৎপাদনী ব্যৱস্থাৰ ফলত সমাজত গঢ়লোৱা ৰীতি, নীতি আইন শৃংখলা সমাজ গাঠনি অতি স্বাভাৱিকভাৱেই বিপৰীত মেৰুযুক্ত, য'ত এটাৰ উপস্থিতিয়ে অন্যটোক নাকচ কৰে। এনে স্থলত উৎপাদনী ব্যৱস্থা অত্যাধুনিক আৰু সামন্তবাদী বজাৰ ব্যৱস্থা (সামন্তবাদৰ ৰজা মহাৰজাৰ দিনৰে কঠোৰ উপনিবেশিক নীতিৰে পৰিচালিত) কোনো এখন সমাজতেই বৰ বেচিদিন টিকাই ৰখা সম্ভৱ নহয়। অন্যহাতে এনে কঠোৰ উপনিবেশিক শাসনৰ বজাৰ ব্যৱস্থাই অতি কম সময়ৰ ভিতৰতেই জনসাধাৰণৰ ক্ৰয় ক্ষমতাক হ্ৰাস ঘটাই বজাৰহীন অত্যুৎপাদন ঘটোৱাটো অতিকৈই স্বাভাৱিক। ইয়াৰ পৰিণতিতেই ১৯৩০ ৰ দশকত ব্যাপক মন্দাই সমগ্ৰ বিশ্বকে গ্ৰাস কৰে আৰু বিভিন্ন ধৰণৰ সাম্ৰাজ্যবাদী পুজিৰ আভ্যন্তৰীণ সংকট সমূহৰ তীব্ৰ বৰ্হি প্ৰকাশ ঘটাই।

উক্ত তিনিওটা দ্বন্দই ভাৰাক্ৰান্ত কৰা ইউৰোপীয় সাম্ৰাজ্যবাদী গোষ্ঠীবোৰে সেইসময়ত দিক-বিদিক শূণ্য হৈ জুৰুলা হৈ পৰিছে। অন্যহাতে নব্য উত্থিত আমেৰিকাই স্বাভাৱিকতেই প্ৰথম দুটা দ্বন্দৰ পৰা মুক্ত হৈ তৃতীয়টো দ্বন্দৰ মুখামুখি হৈছে। অৰ্থনৈতিকভাৱে আমেৰিকা যথেষ্ট শক্তিশালী অৱস্থাত উপনিত। গতিকে স্বাভাৱিকতেই এই মহামন্দাৰ পৰা বাচিবৰ বাবে আমেৰিকাৰ চিন্তা চৰ্চাৰ যথেষ্ট সুযোগ-সুবিধা আছিল আৰু তেওঁলোকৰ নেতৃত্বতেই আৰম্ভ হ'ল সুদূৰ প্ৰসাৰী আধুনিক সাম্ৰাজ্যবাদী বজাৰ নীতি, যি পুঁজিবাদী শোষণ নিস্পেষণক গণতন্ত্ৰৰ ভেটিতে বৈধতা প্ৰদান কৰিলে। অৰ্থাৎ পোনপটীয়া উপনিবেশিক শাসনৰ অৱসান ঘটাই আইনী অদৃশ্য পৰোক্ষ উপনিবেশিক শাসন-শোষণৰ নতুন সমীকৰণ বনোৱা হ'ল। সকলোৱে শোষক, সকলোৱে শোষিত, সকলোতে শোষণ কৰিব পাৰি। শোষণৰ উপনিবেশিক সীমাৰেখা নাইকীয়া কৰি উপনিবেশবিলাক বহুস্তৰীয় শোষণৰ ৰম্য ভুমিলৈ পৰিবৰ্তন কৰা হ'ল। অন্তৰত দুখ নোপোৱাকৈ তেজ পি খোৱাৰ নিচিনা কথা। গতিকে ৰাষ্ট্ৰ সংঘৰ মজিয়াতেই আৰম্ভ কৰা হ'ল এই আইনী যাত্ৰা। সকলো উপনিবেশকে আত্মনিয়ন্ত্ৰণ অথবা স্বাধীনতা প্ৰদান কৰিব লাগে। পোনপটীয়া উপনিবেশৰো পতন ঘটাব লাগে। অৱশ্যে আধুনিক এই বজাৰ কেন্দ্ৰীক আমোলাতান্ত্ৰিক পৰোক্ষ উপনিবেশৰ সন্দৰ্ভত ৰাষ্ট্ৰসংঘ একেবাৰে নিমাত।

জাতিসংঘৰ চাণফ্ৰান্সিস্কোত ১৯৪৫ চনৰ ২৬ জুনত সামৰণি পৰা আলোচনা-বিলোচনাৰ অন্তত ৰাষ্ট্ৰসংঘৰ প্ৰথমখন দলিল Charter of the United Nations অৰ্থাৎ 'ৰাষ্ট্ৰসংঘৰ দলিল' জাৰি কৰি ২৪ অক্টোবৰৰ পৰা বলবৎ কৰা হয়। ইয়াৰ পাছতেই Universal Dicleration of Human Right অৰ্থাৎ মানৱ অধিকাৰ চনদ জাৰি কৰা হয়।

এই ৰাষ্ট্ৰসংঘৰ মজিয়াতে ১৯৭৬ চনৰ ৩ জানুৱাৰীত বলবৎ হয় আৰ্থ সামাজিক আৰু সাংস্কৃতিক অধিকাৰ সম্পৰ্কীয় আন্তৰ্জাতিক চুক্তি পত্ৰ। (International Covenant on Economic, Social and Cultural Right) আৰু একেবছৰতে ২৩ মাৰ্চৰ পৰা বলবৎ হয় অসামৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় আন্তৰ্জাতিক চুক্তিপত্ৰ (Inernational Covenant on Civil and Political Right) এই আইন সমূহৰ যোগেদিয়ে বিশ্বৰ বহু দেশে তথাকথিত স্বাধীনতা লাভ কৰিছে। এই দুয়োখন চনদতে বিশ্বৰ সকলো জাতিৰে সম অধিকাৰ আৰু সম সৰ্যদাৰ ভেটি প্ৰতিষ্ঠাৰ স্বাৰ্থত আত্মনিয়ন্ত্ৰণৰ অধিকাৰক স্বীকৃতি প্ৰদান কৰা হৈছে। এই চনদ দুখনৰ ধাৰা অনুসৰি বিশ্বৰ যিকোনো জাতিৰে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ স্বাৰ্থত সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ ন্যাৰ্যতা প্ৰদান কৰা হৈছে আৰু এনে সংগ্ৰামক আন্তৰাষ্ট্ৰীভাৱে বৈধতা প্ৰদান কৰি আন্তৰাষ্ট্ৰীয় সমৰ্থনৰ মত পোষণ কৰা হৈছে।

অন্যহাতেদি ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰ হিচাবে এই দয়োখন চনদেই ভাৰতৰ ওপৰতো প্ৰযোজ্য অৰ্থাৎ ভাৰতৰাষ্ট্ৰ এই চনদৰ কাৰ্যকাৰীতাৰ ওপৰত দায়বদ্ধ।

কিন্তু উক্ত চনদতে এইটো কথা অৱশ্যাম্ভাৰীভাৱে উল্লেখ কৰা হৈছে যে এই চনদ দুখন দেশৰ আভ্যন্তৰীণ ক্ষেত্ৰত কাৰ্যকৰী কৰাৰ সন্দৰ্ভত দেশীয় চৰকাৰৰ ওপৰত অৰ্থাৎ এক কথাত শাসক ৰাষ্ট্ৰৰ ওপৰতেই নিৰ্ভৰশীল। ইয়াৰ যোগেদি শাসক ৰাষ্ট্ৰক প্ৰকাৰন্তে বিশেষ ক্ষমতা প্ৰদান কৰা হৈছে। যাৰ আলমত 'সংৰক্ষণ' ঘোষণাৰ যোগেদি ভাৰত ৰাষ্ট্ৰই ভাৰতৰ আভ্যন্তৰীণ আত্মনিয়ন্ত্ৰণ আন্দোলন সমূহৰ ন্যাৰ্যতাক অস্বিকাৰ কৰিছে আৰু প্ৰকাৰন্তে আন্তৰাষ্ট্ৰীয় চনদ দুখনক নিজৰ আভ্যন্তৰীণ ক্ষেত্ৰত অস্বীকাৰ কৰিছে। ভাৰতৰ শাসকগোষ্ঠীয়ে আকৌ বহু সময়ত অন্য দেশৰ আভ্যন্তৰীণ দিশত, উদাহৰণ হিচাবে শ্ৰীলংকাৰ তামিলসকলৰ অধিকাৰৰ প্ৰশ্নত মাত মাতি আহিছে। দালাই লামাক আশ্ৰয় দান কৰিছে। উক্ত চনদৰ যোগেদি মূৰকত আমি ইয়াকেহে সিদ্ধান্ত কৰিব পাৰো যে এফালে শোষণ মুক্তিৰ প্ৰশ্নত অধিকাৰৰ প্ৰাসঙ্গিকতাক স্বীকাৰ, অন্যহাতেদি শাসকগোষ্ঠীক বিশেষাধিকাৰ; যাৰ সহায়ত ই অধিকাৰ বিচৰা সংগ্ৰামৰ বৈধতাকে অগ্ৰাহ্য কৰিব পাৰে। ইয়াৰ গূঢ়াৰ্থ জল জল প'ট প'ট। য'ত সুবিধা হয় তাত এহাতেদি এটা সাম্ৰাজ্যবাদী গোষ্ঠীৰ পৰা মুক্তি অন্যহাতেদি এটা অদৃশ্য উপনিবেশিক অৱস্থাৰ মাজলৈ নিক্ষেপণ। য'ত এনে নীতি প্ৰচলনত অসুবিধা হয়, তাত ৰাষ্ট্ৰৰ হাত শক্তিশালী হৈ থাকিলেও এনে কোনো বিশেষ ব্যৱস্থা নাই যে যাৰ দ্বাৰা আন্তৰাষ্ট্ৰীয় সম্প্ৰদায়ে ৰাইজৰ পক্ষলৈ শাসকদেশখনক শলঠেকত পেলাই অধিকাৰ দিবলৈ বাধ্য কৰি।।

গতিকে এনেধৰণৰ দুতলীয়া আন্তৰাষ্ট্ৰীয় চনদে প্ৰকৃততে ৰাইজৰ পক্ষত থিয় হ'বনে? এই নীতি 'খেনোক দেখি ৰান্ধে বাঢ়ে, খেনোক দেখি জপনা মাৰে' ধৰণৰ। অৰ্থাৎ আত্মনিয়ন্ত্ৰণ আন্দোলনে কাৰ স্বাৰ্থ পূৰণ কৰিব তাৰ ওপৰতে আজি নিৰ্ভৰশীল বিশ্বসম্প্ৰদায়ৰ পক্ষ নিৰ্বাচন প্ৰক্ৰিয়া।



OKDISCD

আজি গোটেই বিশ্বখনকে অদৃশ্য সাম্রাজ্যবাদী আগ্রাসনে আগুৰি ধৰিছে। আধুনিক সাম্ৰাজ্যবাদৰ সাম্ৰাজ্যবাদী শোষণ শাসনৰ বজাৰ বিন্যাস ঘটাইছে আৰু তাক স্তৰীভুত ৰূপত শোষণ শাসন চলাই যোৱাৰ অবাধ আইন আন্তৰাষ্ট্ৰীয়ভাৱেই স্বীকৃতি প্ৰদান কৰিছে। গেট (GATT) চুক্তিৰ ডাংকেল প্ৰস্তাৱ হৈছে এনেধৰণৰ শোষণকে বৈধতা প্ৰদান কৰা সৰ্বোচ্চ আইনীৰূপ। গতিকে এহাতেদি শোষণ মুক্তিৰ অধিকাৰ প্ৰদান, অন্যহাতে শোষণ পৰিবেষ্টিত আধুনিক মায়াজাল। এই সকলো বিষয়তে যদি জন সাধাৰণে সচেতন নহয়, তেন্তে আত্ম নিয়ন্ত্ৰণৰ সংগ্ৰামে কেতিয়াও সঠিক লক্ষ্যস্থানত উপনিত হ'ব নোৱাৰিব। বৰঞ্চ শোষকৰ তালি-বাজীত হাবু-ডুবু খাব লগা অৱস্থাহে হ'বগৈ। গতিকে এক সঁচা সম্পূৰ্ণ আত্ম নিয়ন্ত্ৰণ অধিকাৰৰ স্বাৰ্থত তথাকথিত দেশি-বিদেশী সকলো শাসকগোষ্ঠীৰ বিৰুদ্ধে জঙ্গী আন্দোলন গঢ়ি তুলিবই লাগিব।

শাসকগোষ্ঠী আৰু শোষিতৰ মাজত শ্ৰেণী বিভাজন সন্দৰ্ভত স্পষ্ট মতামত অবিহনে আত্ম নিয়ন্ত্ৰণ আন্দোলনে নীতিগত দৃঢ়তা হেৰুৱাই পেলাব। ফলশ্ৰুতিত সমগ্ৰ বিশ্ব জুৰি চলা শাসন বিৰুধী জনগণৰ সংগ্ৰামী সমৰ্থন আদায় কৰাতো অসম্ভৱ হৈ পৰিব। এনে সংগ্ৰাম স্বাভাৱিকতেই এঘৰীয়া হৈ পৰিব আৰু অতি কেন্দ্ৰীভুত ৰাষ্ট্ৰ ব্যৱস্থাক সংগ্ৰাম মষিমুৰ কৰাত অধিক শক্তিশালীহে কৰি তুলিব।

বহুসময়ত আত্মনিয়ন্ত্ৰণৰ দাবীদাৰ বহু দল সংগঠনে আত্মনিয়ন্ত্ৰণ অধিকাৰ প্ৰতিষ্ঠাৰ বাবে বিশ্ব সম্প্ৰদায়ৰ প্ৰাসঙ্গিকতাক দোহাৰে। কিন্তু এইখিনিতে উল্লেখযোগ্য বিষয়টো হৈছে বিশ্ব সম্প্ৰদায়ৰ নামত আমি বিশ্বৰ সাম্ৰাজ্যবাদী শাসক গোষ্ঠীৰ পৰা অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামত সহায়-সহযোগ আশা কৰাটো ধৃষ্টতাহে মাথোন, যদিও কোনো কোনো অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলনত বিশ্বসম্প্ৰদায়ে সহায়ৰ হাত আগবঢ়াই ই অতি নিলৰ্জভাৱে স্পষ্ট যে তাৰ যোগেদি তেওঁলোকে শাসন-শোষণৰ স্বাৰ্থকহে কায়েম কৰে। উদাহৰণস্বৰূপে ইৰাকৰ আধিপত্য বিৰুধিতাৰ নামত বিশ্বৰ সম্ৰাজ্যবাদী গোষ্ঠীয়ে উপসাগৰীয় যুদ্ধৰ দ্বাৰা কোৱেটৰ সমগ্ৰ প্ৰাকৃতিক সম্পদৰাজীৰ ওপৰত পৰোক্ষ আনকি বহু সময়ত প্ৰত্যক্ষভাৱেও শোষণৰ পথ মুকলি কৰিলে। গতিকে এনে সাম্ৰাজ্যবাদী শাসকৰ সহযোগিতা নিতান্তই স্বাৰ্থকেন্দ্ৰীক শোষণৰ মায়াজালহে। বৰঞ্চ পূৰ্বতকৈ ও প্ৰবলহে। গতিকে অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলনত কেতিয়াও স্বাৰ্থ ৰহিতভাৱে কোনো সাম্ৰাজ্যবাদী শক্তিয়ে পক্ষ গ্ৰহণ নকৰে আৰু যদিহে পক্ষ গ্ৰহণ কৰে; তেতিয়া আমি নিশ্চিত থাকিব পাৰিম যে ই নিশ্চয় উদ্দেশ্যকেন্দ্ৰীক, সন্দেহজনক আৰু জনস্বাৰ্থ বিৰুধী। গতিকে আমাৰ অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলনত কোনো সাম্ৰাজ্যবাদী গোষ্ঠীৰ সহযোগিতাৰ প্ৰয়োজন নাই। যদিহে আন্তৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰয়োজন সি নিতান্তই শোষণ বিৰুধী সংগ্ৰামী জনগণৰহে সহযোগিতা তথা সমৰ্থনৰ প্ৰয়োজন।



## আত্মনিয়ন্ত্ৰণ আন্দোলনৰ নেতৃত্বত শ্ৰেণী ভিত্তি ঃ

কোনো এটা জনসমষ্টিৰ আত্মনিয়ন্ত্ৰণৰ সংগ্ৰাম অথবা অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলন যদিও সৰলিকৃত ৰূপত এটা জাতি বা এটা গোষ্ঠী অথবা এটা গোটৰ সামগ্ৰিক অধিকাৰৰ সংগ্ৰাম হিচাপে বিবেচনা কৰা হয়; বাস্তৱিকতে দেখা যায় যে কোনো এখন সমাজ, শ্ৰেণী বিন্যাসত সজ্জিত হৈ থাকে। গতিকে সমাজৰ স্বাভাৱিক শ্ৰেণী বিন্যাস অনুসৰিহে অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামখনত সমাজৰ অংশগ্ৰহণ তথা নেতৃত্ব প্ৰদান হোৱা দেখা যায়। ইয়াৰ আভ্যন্তৰীণ কাৰণ বিবেচনা কৰিলে দেখা যায় যে নিজস্ব শ্ৰেণী স্বাৰ্থ সুৰক্ষিত হোৱাৰ স্থানতহে প্ৰতিজন ব্যক্তিয়ে কোনো দাবী-দাবা বা সংগ্ৰামী কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। এইটো সমগ্ৰ মানৱজাতিৰ এক স্বাভাৱিক প্ৰৱণতা। এনেস্থলত এটা জাতি বা এটা জনগোষ্ঠী অথবা এটা জনসমষ্টিৰ সামগ্ৰীক অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম আগবঢ়াই নিওতেও সংগ্ৰামখনৰ নেতৃত্বত বিশেষত সংগ্ৰামৰ পোনপটীয়া শ্ৰেণী স্বাৰ্থৰ লগত সম্পৰ্কিত শ্ৰেণীটোৱেহে বিশেষ আগভাগ গ্ৰহণ কৰে।

জাতীয় আত্মনিয়ন্ত্ৰণ অধিকাৰ সংগ্ৰাম জন্মস্বত্বগত প্ৰাকৃতিক অধিকাৰ তথা ৰাজনৈতিক অধিকাৰৰ লগত সম্পৰ্কিত। গতিকে এনেস্থলত প্ৰকৃতিগত অধিকাৰৰ প্ৰাথমিক তথা মূল ভেটিটোৱেই হৈছে মাটিৰ অধিকাৰ আৰু মাটিৰ অধিকাৰৰ লগত আৱশ্যম্ভাৱীভাৱে সম্পৰ্কিত ৰাজনৈতিক, প্ৰশাসনিক, অৰ্থনৈতিক তথা সামাজিক অধিকাৰ সমূহ। গতিকে এই সকলো দিশ বিবেচনা কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে জাতিৰ বা জনগোষ্ঠীৰ অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামৰ প্ৰাথমিক চৰ্ত হিচাবে অনিবাৰ্যভাৱে ভূমিৰ ওপৰত অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰামৰ প্ৰাসংগিকতা আহিবই আৰু ইয়াৰ লগে লগে সকলো ধৰণৰ অৰ্থনৈতিক ৰাজনৈতিক সামাজিক তথা সাংস্কৃতিক অধিকাৰ প্ৰশ্নসমূহ অতিকে প্ৰাসঙ্গিক হৈ পৰিব।

সমাজৰ শ্ৰেণী বিন্যাস অনুসৰি প্ৰতিটো শ্ৰেণীস্বাৰ্থৰ দিশৰ পৰা চালে এই কথা অতিকে স্পষ্ট হৈ পৰে যে সমাজৰ কৃষক তথা শ্ৰমজীৱি শ্ৰেণীয়েই এটা জাতি বা এটা জনগোষ্ঠীৰ মূল জাতীয় বা জনগোষ্ঠীয় ভেটিৰ সৃষ্টি কৰে তথা ৰক্ষণাবেক্ষণকাৰী। এটা জাতিৰ অৰ্থনৈতিক ভেটি, সাংস্কৃতিক ভেটি তথা সকলো ধৰণৰ প্ৰাকৃতিক সম্পদৰ ৰক্ষণাবেক্ষণ তথা গঢ় দিয়া মূল শক্তিটোৱেই হৈছে মেহনতী কৃষক শ্ৰমিক জনগণ।

গতিকে জাতি-মাটিৰ অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম নিতান্তই সমাজৰ কৃষক-শ্ৰমিক শ্ৰেণীৰ লগত সম্পৰ্কিত আৰু এই মেহনতী শ্ৰেণীৰ লগত সম্পৰ্কিত আৰু এই মেহনতী শ্ৰেণীয়েহে অধিকাৰ প্ৰতিষ্ঠাৰ এই সংগ্ৰামৰ লগত আন্তৰিকতাৰে আত্মনিয়োগ কৰাৰ লগতে সঠিক দিশত পৰিচালিত কৰিব।

অন্যহাতেদি সমাজৰ পুঁজিবাদী ধনীক শ্ৰেণী অথবা উচ্চ মধ্যবিত্ত শ্ৰেণীয়েও



OKDISCD

আকৌ জাতি বা জনগোষ্ঠীয় অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলনত এক উজ্বল শ্ৰেণী স্বাৰ্থগত সম্ভাৱনা দেখা পায়। বিশেষত জাতীয় অথবা জনগোষ্ঠীয় আন্দোলনৰ যোগেদি তেওঁলোকে তেওঁলোকৰ সমকক্ষ অথবা তেওঁলোকতকৈ শক্তিশালী বাহিৰৰ ধনীক শ্ৰেণীৰ ব্যৱসায়িক কাৰ্য্যত বাধা আৰোপ হোৱাৰ কল্পনা কৰে আৰু এক প্ৰতিদন্দিহীন বজাৰৰ লগতে সকলোখিনি অধিকাৰ কোষিগত কৰাৰ সম্ভাৱনা দেখা পায়। এনে এক উচ্চ সম্ভাৱনা আগত ৰাখিয়েই এই শ্ৰেণীটোৱে জাতীয় অধিকাৰৰ প্ৰশ্নত আৰম্ভ হোৱা সংগ্ৰামত হাত উজান দিয়ে। কিন্তু অতি দুখৰ বিষয় শ্ৰেণী স্বাৰ্থৰ যাতে কোনো ক্ষয়-ক্ষতি নহয় তাৰ বাবে কৃষক শ্ৰমিক তথা মেহনতী জনসাধাৰণৰ অধিকাৰ প্ৰশ্নটো ইচ্ছাকৃতভাৱেই গুপুতে ৰাখিব বিচাৰে। তেওঁলোকে সংঘাটৰ লাইনৰ বিৰুধীতা কৰে আৰু সহযোগিতাৰ লাইনৰ যোগেদি কৌশলগত ভাৱে নিজস্ব অধিকাৰ কোষিগত কৰিব বিচাৰে। তেওঁলোকে পোনপটীয়াভাৱেই শ্ৰেণীৰ অস্তিত্বক অস্বীকাৰ কৰি সংগ্ৰামখন ক্ৰমে ক্ৰমে উগ্ৰজাতীয়তাবাদী ধাৰালৈ পৰ্যবেক্ষিত কৰিব বিচাৰে। এনে সংগ্ৰামত সকলো ধৰণৰ মানৱীয়, প্ৰমূল্যৰ মৃত্যু ঘটে আৰু জনগণক অধিকাৰ সম্পৰ্কে সচেতন নকৰাকৈয়ে আবেগিক ভাৱেই সংগ্ৰামৰ ধাৰা আগুৱাই নি বিপথে পৰিচালিত কৰিব বিচাৰে। অতি স্বাভাৱিকভাৱেই সংগ্ৰামে যেতিয়া এই শ্ৰেণীৰ প্ৰাপ্ত অধিকাৰৰ নুন্যতম অৱক্ষয় ঘটাই তেতিয়া তেওঁলোকে দালাল ৰূপত আপোচকামী মনোবৃত্তি গ্ৰহণ কৰা দেখা যায়। আকৌ কেনেবাকৈ যদি সংগ্ৰামে তীব্ৰৰূপ ধাৰণ কৰি অধিকাৰ প্ৰতিষ্ঠাৰ দিশে ধাৱমান হয়, তেতিয়া জনগণৰ নিম্নবৰ্গৰ অধিকাৰসমূহ কোষিগত কৰাৰ স্বাৰ্থত অতি কেন্দ্ৰীভূত ৰাষ্ট্ৰব্যৱস্থাৰ পোষকতা কৰে। বিগত ভাৰতীয় স্বাধীনতা আন্দোলনৰ যি তথাকথিত জাতীয় ৰূপ প্ৰদান কৰা হৈছিল ইয়ো স্বাভাৱিকতে এনেধৰণৰ সংগ্ৰামেই আছিল যাৰ নেতৃত্ব পোনপটীয়াভাৱে ভাৰতৰ উচ্চ মধ্যবিত্তীয় শ্ৰেণীৰ হাতত নিয়ন্ত্ৰিত হৈছিল।

গতিকে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলন আগবঢ়াই নিওঁতে আমি সততে এই দিশত সচেতন নহলে তেনেধৰণৰ ঘটনাৰ পুনাৰাবৃত্তি ঘটাৰ সম্ভাৱনাই অধিক। এনেক্ষেত্ৰত এটা কথা অতি স্পষ্ট হৈ পৰিছে যে আত্মনিয়ন্ত্ৰণ অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলনৰ নেতৃত্বত অপৰিহাৰ্য্য ভাৱেই কৃষক-শ্ৰমিকৰ হাততেই থাকিব লাগিব। ইয়াৰ অন্যথায় এই আন্দোলন স্বাভাৱিকতেই পথভ্ৰষ্ট হ'ব।

গতিকে আত্মনিয়ন্ত্ৰণ অধিকাৰ আন্দোলনৰ নেতৃত্বৰ ভিতৰত এই দুই শ্ৰেণীক আমি চিহ্নিত কৰিব লাগিব আৰু সংগ্ৰামৰ দাবী সমূহ তুলি ধৰোতেও এই কথা নিতান্তই নজৰ ৰাখিব লাগিব, যাতে কোনো এটা জাতিয়ে এই অধিকাৰ প্ৰাপ্ত হলেও যাতে ই কেন্দ্ৰীভূত হৈ সমাজৰ মুষ্টিমেয় কেইজনমান উচ্চ শ্ৰেণীৰ ব্যক্তিৰ শোষণৰ হাথিয়াৰত পৰিণত নহয়। ইয়াৰ বাবেই সংগ্ৰামৰ প্ৰাৰম্ভিক অৱস্থাৰ পৰাই জনগণৰ মাজত অধিকাৰ সম্পৰ্কে শ্ৰেণীগত সচেতনতা গঢ়ি তুলিব লাগিব আৰু অধিকাৰ



যাতে সমাজৰ প্ৰতিজন খাটী খোৱা জনসাধাৰণে ভোগ কৰিব পাৰে তাৰ বাবেই বিকেন্দ্ৰীকৰণক প্ৰাথমিক চৰ্ত ৰূপে তুলি ধৰিব লাগিব। বিকেন্দ্ৰীকৰণ শব্দটোৰ যোগেদি ইয়াত আচলতে সম্পূৰ্ণ ৰাজনৈতিক, অৰ্থনৈতিক তথা প্ৰশাসনিক ক্ষমতা সমাজৰ তৃণমূল স্তৰলৈ পৰ্য্যবেক্ষিত কৰাৰ কথা কোৱা হৈছে।

গতিকে উক্ত আলোচনাৰ যোগেদি এটা কথা অতিকৈ স্পষ্ট হৈ পৰিছে যে জনসমষ্টিটোৰ সম্পূৰ্ণ ৰাজনৈতিক, অৰ্থনৈতিক তথা প্ৰশাসনিক ক্ষমতা জনসমষ্টিৰ নিম্নস্তৰত সৰ্বাধিক ৰূপত পঞ্জীভূত হ'ব লাগিব। নিম্নতম স্তৰবিলাকেহে পৰ্যায়ক্ৰমে ওপৰৰ স্তৰবিলাকক অৰ্থনৈতিক, ৰাজনৈতিক তথা প্ৰশাসনিক ক্ষমতাসমূহ প্ৰদান কৰিব। এক অৰ্থত আজিৰ প্ৰশাসনিক ব্যৱস্থাৰ সম্পূৰ্ণ ওলোটা অৰ্থাৎ তলৰ স্তৰৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব ওপৰৰ স্তৰসমূহ। তেতিয়াহে অধিকাৰ সমূহ প্ৰকৃততে জনগণে ভোগ কৰিব পাৰিব। ইয়াৰ অন্যথায় ই আকৌ কোষিগত হৈ দ্বিতীয় এটা আন্দোলনৰ প্ৰাসংগিকতা হে সৃষ্টি কৰিব। গতিকে বিকেন্দ্ৰীকৰণ আত্মনিয়ন্ত্ৰণ আন্দোলনৰ অপৰিহাৰ্য চৰ্ত হিচাপে চিহ্নিত হ'বই লাগিব।

**<u>অসমৰ প্ৰেক্ষাপটত আত্মনিয়ন্ত্ৰণ সংগ্ৰামৰ পটভূমি</u> ঃ-**

অসমৰ অধিকাৰ প্ৰতিষ্ঠাৰ আন্দোলন দুটা পৃথক স্তৰত অৱতীৰ্ণ হৈছে। এহাতেদি জাতীয়তাবাদীসকলে যিদৰে অসমৰ বা অসমীয়া জাতিৰ আত্ম নিয়ন্ত্ৰণ আন্দোলনৰ প্ৰাসংগিকতা তুলি ধৰিছে, ঠিক সেইদৰে অসমৰ বহু ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীয়ে নিজৰ অধিকাৰৰ প্ৰশ্ন তুলি ধৰিছে। ভাৰতীয় শোষক গোষ্ঠীৰ কেন্দ্ৰীভূত শোষণ ব্যৱস্থাৰ কূটিল শোষণ নিষ্প্ৰেষণে যিদৰে অসমীয়াসকলক আত্মনিয়ন্ত্ৰণ অধিকাৰ প্ৰাপ্তিৰ প্ৰতি আগ্ৰহশীল কৰি তুলিছে ঠিক সেইদৰে অসমীয়া জাতিৰ প্ৰবক্তাসকলৰ উগ্ৰ জাতিদাম্ভিক চিন্তা চেতনা তথা বৰ ককাই সুলভ দৃষ্টিভংগীয়েই যে জনগোষ্ঠীসমূহক বৃহৎ অসমীয়া জাতিৰ মাজত জীণ যোৱাৰ অন্তৰায় হৈ থিয় হৈছে এই কথা নিৰ্লজ্জভাৱে স্বীকাৰ কৰিবই লাগিব।

গতিকে আজি অসমৰ অধিকাৰ প্ৰাপ্তিৰ সংগ্ৰামে দুটা স্তৰৰ ৰূপ গ্ৰহণ কৰিছে। গতিকে এনে স্থলত অসমৰ প্ৰতিজন ব্যক্তিৰ অধিকাৰ ৰক্ষাৰ প্ৰশ্ন আগত ৰাখিয়েই অসমৰ আত্ম নিয়ন্ত্ৰণ আন্দোলনখনক গতি দিব লাগিব। ইয়াৰ বাবেই অসমৰ জাতি-জনগোষ্ঠীসমূহৰ মাজত অধিকাৰ সম্পৰ্কত এক সুস্থ তথা মুক্ত বিতৰ্কৰ পৰিৱেশ তুলি ধৰিব লাগিব। অসমত বাস কৰা প্ৰতিজন ব্যক্তি আৰু প্ৰতিটো গোষ্ঠীৰ অধিকাৰৰ পক্ষে অৰ্থনৈতিক, ৰাজনৈতিক তথা প্ৰশাসনিক ক্ষমতাৰ পূৰ্ণপৰ্যায়ৰ বিকেন্দ্ৰীকৰণ অপৰিহাৰ্য হৈ পৰিছে। ইয়াৰ অন্যথাই অসমৰ আত্মনিয়ন্ত্ৰণ আন্দোলনে বিভিন্ন জনগোষ্ঠীৰ অধিকাৰগত প্ৰশ্নবিলাকৰ সু-মীমাংসা প্ৰদান কৰিব নোৱাৰিব আৰু ইয়েই আত্মনিয়ন্ত্ৰণৰ সংগ্ৰামক এক বিশৃংখলীয়া পৰিৱেশলৈ পৰ্যবেক্ষিত কৰি ৰাষ্ট্ৰক অৰ্থাৎ শাসক গোষ্ঠীকহে শক্তিশালী কৰি তুলিব।



OKDISCD

আকৌ ক্ষমতাৰ তৃণমূল পৰ্যায়ৰ বিকেন্দ্ৰীকৰণ অবিহনে আত্মনিয়ন্ত্ৰণ আন্দোলনেই অৰ্থহীন হৈ পৰিব। যিহেতু বিকেন্দ্ৰীকৰণ অবিহনে খাটি খোৱা মেহনতী ৰাইজেও ক্ষমতাৰ সুৱাদ কেতিয়াও গ্ৰহণ কৰিব নোৱাৰে। অৱশ্যে এই ক্ষেত্ৰত অসমৰ প্ৰতিজন ব্যক্তিয়েই এই অধিকাৰ পাবলৈ হ'লে কি পৰ্যায়ত বিকেন্দ্ৰীকৃত ব্যৱস্থা গঢ় দিব লাগিব ই নিশ্চয় জনগণৰ মতামতৰ ওপৰতেই নিৰ্ভৰশীল হ'ব। কিন্তু এটা কথা অতিকে সুস্পষ্ট যে আজিৰ অতি কেন্দ্ৰীভূত ৰাষ্ট্ৰৰ পঞ্চায়তী ৰাজ ব্যৱস্থাৰ নিচিনা ওপৰ গধূৰ বিকেন্দ্ৰীকৰণ বাস্তৱিক অৰ্থত এক ভেকুভাওনাৰ বাহিৰে অন্য একোৱেই নহয়। গতিকে এনে স্থলত তলৰ ফালৰ পৰা অৰ্থাৎ তৃণমূল পৰ্যায়ক সকলো ক্ষমতা প্ৰদানৰ যোগেদি তলৰ সমিতি বিলাকক অধিক শক্তিশালী কৰি ক্ৰমে ক্ৰমে ওপৰৰ ফালে শক্তি কমাই অনা ব্যৱস্থাইহে প্ৰকৃতাৰ্থত অধিকাৰসমূহ জনগণে ভোগ কৰিব পৰা কৰিব আৰু সঁচা অৰ্থত জনগণে তেতিয়াহে প্ৰকৃত অধিকাৰ পাব।

এই সমগ্ৰ দৃষ্টিকোণ আগত ৰাখিয়েই অসমৰ আত্মনিয়ন্ত্ৰণ সংগ্ৰামখনক সঠিক পৰ্যালোচনা তথা তাত্বিক ভিত্তি গঢ়ি তুলিব লাগিব। সঠিক তাত্বিক ভিত্তি গঢ়ি নুঠা সংগ্ৰামে কেতিয়াও লক্ষ্য স্থানত উপনীত হ'ব নোৱাৰে আৰু জনগণৰ কাম্য অধিকাৰো কাঢ়ি আনিব নোৱাৰে। বৰঞ্চ শুদ্ধ আৰু সঠিক তত্ত্ববিহীন সংগ্ৰামে বহু মুহূৰ্তত জনগণক বিভ্ৰান্ত কৰি বিশৃংখলাৰহে সৃষ্টি কৰে আৰু শেষ পৰ্যায়ত শাসক গোষ্ঠীকহে লাভৱান কৰে। গতিকে সুসংহত তাত্বিক ভিত্তি তৈয়াৰ কৰি অসমৰ বিকেন্দ্ৰীকৃত আত্মনিয়ন্ত্ৰণ অধিকাৰৰ সংগ্ৰাম দীৰ্ঘস্থায়ী আৰু সফল কাম কৰা স্বাৰ্থত সুস্থ বিতৰ্কৰ অৱকাশ তথা সম্ভাৱনাৰ অতিকে অপৰিহাৰ্য্য।

❑❑❑



# ইয়াণ্ডাবু সন্ধিলৈকে অসমীয়া জাতিৰ বিকাশৰ ধাৰা

❑ চন্দ্ৰাদিত্য গগৈ

প্ৰাক ঐতিহাসিক কালৰে পৰা অসমৰ স্বতন্ত্ৰ ঐতিহ্য-সংস্কৃতিয়ে গঢ় লৈ আহিছে।। সু-প্ৰাচীন কালৰে পৰাই বিভিন্ন সময়ত দলে-দলে নানা ফৈদৰ ভিন্ন জনগোষ্ঠীৰ লোক অসমলৈ আহিছিল। কোনো এখন দেশ বা অঞ্চল এটাৰ সভ্যতা সংস্কৃতি বহু পৰিমানে দেশখনৰ প্ৰাকৃতিক আৰু ভৌগলিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে অসমৰ লগত অতি প্ৰাচীন কালৰে পৰাই কাষৰীয়া ব্ৰহ্মদেশ, ইন্দোচীন, তিব্বত, হিমালয়ৰ পাদদেশৰ অঞ্চলসমূহ আৰু চীন দেশৰ লগত সংযোগ ঘটাটো এটা স্বাভাৱিক ঘটনা। ঐতিহাসিক আৰু নৃতাত্বিক পণ্ডিতসকলৰ মতে অসমৰ সবাতোকৈ পুৰণি অধিবাসী হৈছে অষ্ট্ৰিক সংস্কৃতিৰ লোকসকল। অষ্ট্ৰিক ভাষা-সংস্কৃতিৰ লোকসকল খৃষ্টপূৰ্ব দুহেজাৰ বছৰৰ পূৰ্বে হোৱাংহো আৰু ইয়াংচিকিয়াং নদীৰ পাৰৰ পৰা ক্ৰমে দক্ষিণ চীন, ব্ৰহ্ম, অসম, ইন্দোচীন আদিলৈ সিঁচৰিত হৈ পৰে। ব্ৰহ্মপুত্ৰ আৰু আনকি গংগাৰ পাৰতো অষ্ট্ৰিক ভাষা-সংস্কৃতিৰ লোকসকলে বসতি স্থাপন কৰে। ড০ সুনীতিকুমাৰ চট্টোপাধ্যায়ে নদী বাচক গংগা শব্দটো অষ্ট্ৰিকৰ পৰাহে উদ্ভুত বুলি কৈছে। পাছিলুস্কি, ব্লক, চিলভাঁ লেভী, ষ্টেন-বনো, প্ৰবোধচন্দ্ৰ বাগচী, সুনীতি কুমাৰ চট্টোপাধ্যায়, বাণীকান্ত কাকতী আদি পণ্ডিতসকলে সংস্কৃত ভাষালৈ অষ্ট্ৰিক ভাষাৰ কি দান সেইবিলাক বিষয়ৰ ওপৰত গৱেষণা কৰি গৈছে। ভাষাতত্ববিদসকলে অষ্ট্ৰিক-ভাষা-সংস্কৃতিৰ লোকসকলক দুই ভাগত ভগাইছে - অষ্ট্ৰনেছিয়ান আৰু অষ্ট্ৰএছিয়াটিক। অষ্ট্ৰ-এছিয়াটিকৰ ভিতৰত তিনিটা শাখা - খনখ্‌মেৰ (খনখেৰ, নিকোবৰ), খাছীয়া, কোল-মুণ্ডা (চাওতাল, মুণ্ডাৰী, হো)। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ খাচী-জয়ন্তীয়া, কাৰ্বিসকল প্ৰজাতি হিচাপে মংগোলীয় গোষ্ঠীতে পৰে যদিও তেওঁলোকৰ ভাষা-সংস্কৃতি মুলত অষ্ট্ৰএছিয়াটিক। পণ্ডিত হাৰ্টনৰ মতে খাচী-জয়ন্তীয়া, কাৰ্বিৰ উপৰি নগাসকলৰ কেইটামান গোষ্ঠী প্ৰঠাৰত আংগামী, চাউ, কন্যাক) মুলত অষ্ট্ৰএছিয়াটিক ভাষাগোষ্ঠীৰ। ড০ বাণীকান্ত কাকতীৰ মতে অসমীয়া সমাজত ব্যৱহাৰ হোৱা বহুটো শব্দ লোকাচাৰ অষ্ট্ৰিকৰ পৰা অহা, তেওঁৰ মতে ব্ৰহ্মপুত্ৰৰ অন্যতম নাম লুইত অষ্ট্ৰিক সম্ভুত লাও-তু শব্দৰ পৰা উৎপত্তি হোৱা। ড০ কাকতীয়ে প্ৰাগজ্যোতিষ (পাহাৰীয়া ঠাই), হাৰুন্ধেশ্বৰ (পৰ্বতেৰে ঢাক খাই থকা), কামৰূপ-কামাখ্যা (পাহাৰত থকা ঠাই, শ্মশানৰ লগত সম্পৰ্কীয়), তেজপুৰ (সোণৰ ঠাই) আদি নাম মুলতে অষ্ট্ৰিক বুলি বিচাৰ-বিশ্লেষণ কৰি দেখুৱাইছে। অসম-উত্তৰপূৰ্বাঞ্চল আৰু বংগদেশৰ 'কুৰি' হিচাপে বস্তু গণনাৰ যি ৰীতি আছে সেই ৰীতি আৰু শব্দ উভয়ে



OKDISCD

অষ্ট্রিকৰ। ইয়াৰোপৰি মাতৃপুজা যি পাছৰ যুগত কামাখ্যা মাতৃ পূজাত পৰিণত হয় সেয়া মাতৃপ্ৰধান অষ্ট্ৰিক সমাজতহে প্ৰচলিত আছিল আৰু তাম্ৰেশ্বৰীও অষ্ট্ৰিসকলৰেই দেৱী আছিল।

পুৰিণি অসমৰ লোকসকলৰ ইতিসাহ লিখাৰ অভ্যাস নাছিল। ডেৰশ শতিকাত তাইসকলৰ অসমলৈ হোৱা আগমনৰ পৰাহে এই দেশত উল্লেখযোগ্য ঘটনাৱলীৰ বিৱৰণীৰে 'বুৰঞ্জী' লিখাৰ প্ৰচলন হ'ল। বাকীখিনি চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ বিৱৰণ আৰু বিভিন্ন শিলালিপি-তাম্ৰলিপিত চেগাচোৰাকৈ উল্লেখ কৰা ঘটনা কেতবোৰ থুপ খুৱাইহে অসমৰ প্ৰাচীন ইতিহাস ৰচনা কৰা হৈছে। কেতবোৰ পুৰণি অসমৰ বিৱৰণ জানিবলৈ হলে মহাভাৰত আৰু পুৰাণ আদিৰ তথ্যৰ ওপৰতো নিৰ্ভৰ কৰিবলগীয়া হয়। মহাভাৰত প্ৰমুখ্যে প্ৰাচীন সংস্কৃত গ্ৰন্থসমূহত কামৰূপ বা প্ৰাগজ্যোষিপুৰৰ অধিবাসীবোৰক কিৰাট বুলি কোৱা হৈছে। আধুনিক নৃতাত্বিক পৰিভাষাত কিৰাট সকলক মংগোলীয় লোক বুলি অভিহিত কৰা হৈছে। নৃতাত্বিক ড০ ভুৱন মোহন দাসৰ মতে প্ৰধানকৈ উত্তৰ আৰু পূবৰ পৰা বিভিন্ন সময়ত বিভিন্ন পথেৰে অসমলৈ মংগোলীয় প্ৰজাতিৰ লোকে প্ৰবেশ কৰিছিল। পশ্চিমৰ পৰা আহে ককেচীয় প্ৰজাতিৰ লোক। ককেছীয়ৰ ভিতৰতো কেইবাটাও উপভাগ আছে। সেইবোৰৰ ভিতৰত ভুমধ্যসাগৰীয় গোষ্ঠীৰ লোকসকলেই ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰবেশ কৰা প্ৰথম ককেচীয় লোক যেন ধাৰণা হয়। ইয়াৰ পাছত আলপাইন প্ৰকাৰৰ ককেচীয় লোকৰো অসমলৈ আগমন ঘটে। আৰ্য্যসকল প্ৰবেশ কৰাৰ কিছু পাছতেই দ্ৰাবিড় আৰু মুছলমানসকলৰো অসমলৈ আগমন ঘটে।

ঐতিহাসিক তথ্যমতে অসমৰ সৰ্বপ্ৰথম ৰজা মহীৰঙ্গ বা ময়ৰঙ্গ দানৱ। বৰ্মন বংশৰ ৰজা পুৰ্য্যবৰ্মনৰ ৰাজত্বকলৰ (৩৫০-৩৮০ খৃষ্টাব্দ) পৰাহে অসমৰ ৰাজনৈতিক ইতিহাসৰ কিছু নিৰ্ভৰযোগ্য সমল পোৱা যায়। অসমৰ লিখিত ইতিহাস ১৩শ শতিকাত তাই-আহোমসকলৰ আগমনৰ পৰাহে প্ৰচলিত হৈছে। কোটিল্যৰ অৰ্থশাস্ত্ৰত অসম (প্ৰাগজ্যোতিষপুৰ) দেশৰ বিষয়ে উল্লেখ আছে। প্ৰাচীন অসমৰ মানুহে প্ৰচুৰ পৰিমাণে লা ৰপ্তানি কৰিছিল। অসম (কামৰূপ)ৰ ৰজা ভাস্কৰ বৰ্মনৰ ৰাষ্ট্ৰদুতে কনৌজলৈ গৈ তাৰ ৰজা হৰ্ষবৰ্দ্ধনক নানা সামগ্ৰী উপহাৰ দি বানিজ্যৰ প্ৰস্তাৱ আগবঢ়াইছিল। লা আৰু বিভিন্ন ৰঙ কৰা পাটৰ কাপোৰ, সুগন্ধি আদি তেতিয়াৰ অসমৰ মানুহে বিদেশত বেচিছিল। ভাস্কৰ বৰ্মনৰ দিনতেই চীনাসকলৰ সতে বানিজ্য চলাৰ বিষয়ে জানিব পাৰি। চীনাসকলো কামৰূপলৈ আহিছিল আৰু অসমৰ (কামৰূপৰ) মানুহো বেহা-বেপাৰ কৰিবলৈ চীন দেশলৈ গৈছিল। চীনৰ উপৰি চুবুৰীয়া ভুটান, নেপাল, তিব্বত, ব্ৰহ্মদেশ আদি দেশসমূহৰ লগতো অসমৰ বহিঃবানিজ্য চলিছিল। আনকি পশ্চিম এচিয়াৰ দেশসমূহৰ সতেও অসমৰ বানিজ্যিক



সম্পৰ্ক আছিল বুলি জনা গৈছে। পশ্চিম এচিয়াৰ বনিকসকলে ঘোঁৰাত উঠি হিমালয়, তিব্বত, ভুটান পথেৰে অসমলৈ আহিছিল। তেওঁলোকে ভুটানৰ পৰা নামি দৰঙত হাট-বজাৰ কৰিছিল, দৰঙত এখন আন্তৰ্জাতিক ঘোঁৰাৰ বজাৰো আছিল বুলি ঐতিহাসিক সাক্ষ্য আছে।

অসমৰ পৰা নৌপথ আৰু স্থলপথেদিও বংগদেশৰ লগত বেহা-বেপাৰ চলিছিল। চান্দো সদাগৰৰ শশ বানিজ্য নাওৰ কাহিনীয়ে তাকেই প্ৰমাণ কৰে। চাহাবুদ্দিন তালিছৰ বিবৰণিতো অসমৰ পৰা বংগদেশলৈ ডাঙৰ-ডাঙৰ বাণিজ্যৰ নাও চলাৰ উল্লেখ আছে।

অসমৰ পৰা চীনদেশলৈ এটা আন্তৰ্জাতিক বানিজ্য পথ আছিল। অসমৰ পৰা পাটকাই হৈ ব্ৰহ্মদেশলৈ, মনিপুৰ হৈ চিন্দুইন উপত্যকালৈ আৰু আৰাকান হৈ ইৰাৱতী উপত্যকালৈ কেইবাটাও পথ আছিল। এই আটাইকেইটা পথ ব্ৰহ্মদেশৰ ভামোত লগ লাগে আৰু তাৰ পৰা চীন দেশৰ এখন বানিজ্যিক চহৰ কুনমিঙলৈ যায়। উজনি অসমৰ শদিয়াৰ পৰা পাটকাই মুকং হৈ ইৰাৱতী নদীৰ পাৰৰ নাময়াঙলৈ আন এটা পথো আছিল। ব্ৰহ্মদেশৰ পৰা চীন দেশৰ য়ুনান ৰাজ্যলৈ ঘোঁৰাৰ পিঠিত মাল বোজাই দি বনিকসকলে অহা যোৱা কৰিছিল বুলি ড০ পি চি বাগছিয়ে কৈছে। 'তৱকট-ই-নছিৰি' ৰ মতে অসমৰ পৰা তিব্বতলৈ ৩৫ টা বানিজ্য পথ আছিল এই পথসমূহ সমতলত য'ত লগ লাগিছে তাক 'দুৱাৰ' বোলা হৈছিল। ভূটানৰ পাদদেশত থকা ভালেমান দুৱাৰ - বিজনীদুৱাৰ, নদুৱাৰ, ছয় দুৱাৰ, চাৰিদুৱাৰ, বিংগাদুৱাৰ ইত্যাদিয়ে তাকেই সাক্ষ্য দিয়ে।

ৰবিনচন নামৰ বৃটিছ বিষয়াএজনে লিখা **A descriptive Account of Assam.** নামৰ কিতাপখনত ভুটান আৰু অসমৰ মাজত আন্তঃৰাজ্যিক বানিজ্যৰ বিষয়ে বিশদ বিবৰণ আছে।

পুৰণি অসমৰ অন্যতম গুৰুত্বপূৰ্ণ ঠাই হৈছে শদিয়া। শদিয়াৰ উত্তৰে পৰ্বতত বাস কৰা মিচিমিসকলে নামনিলৈ আহি শদিয়াৰ ওচৰে-পাঁজৰে বেহা-বেপাৰ কৰিছিল। মিচিমিসকলে বেচিবলৈ আনিছিল - মিচিমি তিতা, লামা তৰোৱাল, বৰ্শা, বৰবিহ, কস্তুৰী ইত্যাদি তেওঁলোকে সলাই বা কিনি নিছিল - কাপোৰ, নিমখ, কাঁচৰ মনি, গৰু, মহ ইত্যাদি। পৰ্বতীয়া আবৰ আৰু মিৰিসকলে নামনিত বেচিবলৈ জালুক, আদা, মাজাঠি গছ, মৌসিতা ইত্যাদি আনিছিল। সেই সময়ত পৰ্বতীয়া দাঁতি কাষৰীয়া অঞ্চলত ভালেমান হাটৰ সৃষ্টি হৈছিল। পুৰণি অসমৰ বিখ্যাত কেতবোৰ হাট আছিল - কছাৰী হাট, ধোপাবৰ হাট, লাহিং, দোপদৰ, গেলেকী, যহঙ হাট আদি।

আহোম ৰজাসকলে বানিজ্য উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল - ভুটানৰ সতে হোৱা বানিজ্য তদাৰকি কৰিবলৈ 'উজীৰ বৰুৱা' বিষয়াক নিযুক্তি দিছিল। ইয়াৰোপৰি হাট বিলাকত 'বৰুৱা' উপাধিৰ বৰবিষয়া নিযুক্তি দিছিল। আহোম ৰজা



OKDISCD

ৰুদ্ৰসিংহৰ দিনত প্ৰচুৰ পৰিমানে কাঁহ, পিতল আৰু তামৰ পাত্ৰ চীনদেশ আৰু তিব্বতলৈ ৰপ্তানি কৰা হৈছিল। মানাহ নদীৰ পাৰত আসাম চকীৰ দায়িত্বত থকা 'দুৱৰী বৰুৱা' বিষয়াই অসম আৰু বংগৰ মাজৰ ব্যৱসায়ী তদাৰকী কৰিছিল।

এইদৰে দেখা পোৱা যায় যে অতি পুৰণি কালৰে পৰা অসমত ভিন ভিন মানুহৰ আগমন ঘটিছিল। সিবিলাকৰ মাজত নানা স্তৰৰ বেহা বেপাৰো চলি আহিছিল। আনকথাত কবলৈ গলে ইয়াৰ জৰিয়তে অসমৰ স্বকীয় সভ্যতাকেই প্ৰকাশ কৰিছে।

এটা জাতিৰ গঠন প্ৰক্ৰিয়াত উমৈহতীয়া ভাষাৰ এক অপৰিসীম গুৰুত্ব আছে। একোটা ভাষাই অঞ্চল বিশেষৰ জনগণৰ স্বভাৱ-চৰিত্ৰ, ভৌগলিক পৰিবেশ ইত্যাদিৰ ভিত্তিতে সাধাৰণতে গঢ় লয়। সংস্কৃতিৰ সৈতে ভাষা-সাহিত্য ওতঃপ্ৰোতভাৱে জড়িত, কিয়নো সংস্কৃতিৰ কথিত আৰু লিখিত ৰূপটোৱেই ভাষা সাহিত্য ৰূপে পৰিগণিত হয়।

পুৰিণি অসমত সুপ্ৰাচীন কালৰে পৰা যে ব্যৱসায় বানিজ্য চলিছিল তাৰ বিষয়ে আগতে উল্লেখ কৰি অহা হৈছে। ডেল্টন প্ৰমুখ্যে কেতবোৰ পণ্ডিতে অসমৰ কলিতা সকলক ব্ৰহ্মপুত্ৰত উপত্যকাত প্ৰথম আৰ্য্যভাষী গোষ্ঠী বুলি কয় আৰু তেওঁলোকৰ প্ৰব্ৰজন প্ৰধানকৈ নাওৰ সহায়ত নৈয়েদি হৈছিল। এই লোকসকলেই আৰ্য্যমূলীয় অসমীয়া ভাষাটোৰ বাহক আছিল। তেওঁলোকৰ মাজত বিভিন্ন পৰ্য্যায়ৰ সদাগৰ, মুদৈ আদি আছিল আৰু অসমৰ ভিতৰত দুৰ-দুৰণীলৈকে নৈয়েদি তেওঁলোকে বেহা-বেপাৰ চলাইছিল। এইদৰে আৰ্য্যমুলীয়া ঠাঁচৰ অসমীয়া ভাষাই বিভিন্ন হাট-বজাৰত বিভিন্ন স্থানীয় জনগোষ্ঠীৰ সামগ্ৰী আৰু বস্তুৰ লেন-দেনত ব্যৱহৃত হৈ ই এক উমৈহতীয়া বজাৰৰ ভাষা হৈ পৰিবলৈ আৰম্ভ কৰিছিল। গতিকে সংস্কৃত যদিও অসমীয়া ভাষাৰ আধাৰ তথাপি সি পৰিপুটি লাভ কৰিছে বিভিন্ন জনজাতীয়া ভাষা সমূহৰ পৰা। অসমীয়া ভাষাৰ ধ্বনি আৰু ৰসৰ ক্ষেত্ৰটো জনজাতিয় ভাষাসমূহৰ প্ৰভাৱ আছে। অসমীয়া লিপিৰ ইতিহাস খৃষ্টীয় পঞ্চম শতিকাতে আৰম্ভ হৈছে। এই সময়ৰে পৰা অসমত ভালেমান তামৰ শাসন পত্ৰ দিয়া হয়। পৰৱৰ্ত্তী যুগত যি লিপিয়ে গঢ় লৈছে, সেই লিপিৰ দুই চাৰিটা বৰ্ণই এই সময়তে গঢ় লবলৈ আৰম্ভ কৰিছিল। ত্ৰয়োদশ শতিকাত সম্পূৰ্ণ স্বতন্ত্ৰ হৈ অসমীয়া লিপিয়ে নিজা ৰূপৰীতি ঘোষণা কৰে। অসমীয়া লিপি যদিও মুল ভাৰতীয় লিপিৰেই ঢাল আৰু ইয়াৰ বৰ্ণ সংখ্যাৰ ক্ষেত্ৰটো সমতা আছে, তথাপি ইয়াৰ আৰ্হি স্বকীয় হোৱাৰ গুৰিতে থলুৱা সাংস্কৃতিক কাৰণ আছে বুলি ড০ লীলা গগৈয়ে কৈছে।

যেতিয়া পুৰণি অসমৰ বা কামৰূপৰ বিভিন্ন অঞ্চলত বাস কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ সৰু সৰু সুকীয়া স্বতন্ত্ৰ শাসন চলি আছিল আৰু বেহাবেপাৰত তথা উমৈহতীয়া যোগাযোগৰ মাধ্যমৰূপে অসমীয়া ভাষা গঢ় লৈছিল সেই তেনে এক



সময়তে ১২২৮ চনত চুকাফাৰ নেতৃত্বত তাই সকলে পুৰণি অসমৰ সৌমাৰত প্ৰবেশ কৰে। উন্নত সামৰিক ৰাজনৈকি গুণৰ অধিকাৰী চুকাফাই প্ৰয়োজনত মিত্ৰতাৰে আৰু প্ৰয়োজনত সামৰিক শক্তিৰে নগা পাহাৰ আৰ সৌমাৰত নিজৰ কতৃত্ব স্থাপন কৰে। কেইবাবাৰো ঠাই সলাই তেওঁ চৰাইদেওত ৰাজধানী পাতি নিগাজীকৈ বহে। তাই-আহোম সকলৰ আগমনৰ আগলৈকে পুৰণি অসমত সৰু-বৰ বহু জনগোষ্ঠীয় ৰজাই পৃথকে পৃথকে নিজ নিজ জনগোষ্ঠীক শাসন কৰিছিল। সেই সময়ত এই জনগোষ্ঠীসমূহৰ মাজত সময়ে সময়ে হাট-বজাৰত বা অন্য যোগাযোগ চলিছিল যদিও সংমিশ্ৰণৰ প্ৰক্ৰিয়া তেনেকৈ আৰম্ভ হোৱা নাছিল। চুকাফাই নিজেই উদ্যোগ লৈ সংমিশ্ৰনৰ প্ৰক্ৰিয়াৰ আনুস্থানিক শুভাৰম্ভ কৰিছিল লগতে এক উমৈহতীয়া প্ৰশাসন যন্ত্ৰৰ। তদুপৰি দুৰদৃষ্টি সম্পন্ন চুকাফাই লক্ষ্য কৰিছিল যে তাই-আহোম ভাষাক সাৱতি ধৰি থাকিলে তেওঁলোক এই ভূখণ্ডত সদায় বিদেশীয়েই হৈ থাকিব লাগিব কিয়নো এই মুলুকত তাই-আহোম ভাষাৰ সতে আনৰ পৰিচয় নাই। গতিকে চুকাফাই উমৈহতীয়া ভাষাৰ ৰূপ ধাৰণ কৰা 'অসমীয়া ভাষা' কেই প্ৰশাসনিক ভাষাৰূপে স্বীকৃতি ও পৃষ্টপোষকতা কৰিবলৈ ললে। তেওঁ তেনে নীতি কাষৰীয়া ৰজাসকলকো লবলৈ পৰামৰ্শ দিলে যাৰ বাবে বৰাহীসকলেও অসমীয়াভাষাকে প্ৰশাসনিক ভাষাত পৰিণত কৰাৰ উপৰি ইয়াৰ সমৃদ্ধিৰ বাবে যত্নপৰ হৈছিল। ইয়াৰ আগলৈকে পুৰণি অসম মুলকৰ ৰজাসকলে তেওঁলোকৰ বিভিন্ন ৰাজকীয় ঘোষণাপত্ৰ বিলাক সংস্কৃত ভাষাত লিখিছিল।

চুকাফাৰ এনে কেতবোৰ দুৰদৰ্শী আৰু ইতিহাস নিৰ্মানকাৰী নীতিৰ বাবেই 'চুকাফা' ৰজাক অসমীয়া জাতিৰ জনক বুলিও কোৱা হয়। তদুপৰি চুকাফাই অসমত বুৰঞ্জী লিখাৰ আৰম্ভণি কৰে। পাছলৈ আহোম স্বৰ্গদেউসকলে ভাৰতবৰ্ষৰ বিভিন্ন ৰজাৰ সৈতে চিঠি পত্ৰৰ আদান প্ৰদানৰ বেলিকা প্ৰয়োজন মতে ফাৰ্চী, সংস্কৃত, অসমীয়া আৰু অন্যান্য ভাৰতীয় ভাষাও ব্যৱহাৰ কৰিছিল। চুকাফাৰ নেতৃত্বত সৌমাৰত অধিপত্য স্থাপনৰ লগে লগে কেতবোৰ স্বভিমানী জনগোষ্ঠীৰ সতে সংঘাটো চলিছিল। এই ক্ষেত্ৰত ড০ সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছে - কছাৰী আৰু আহোম সকলে প্ৰায় ৪৫০ বছৰ জুৰি নিজৰ নিজৰ অধিপত্যৰ বাবে পৰস্পৰৰ সতে বুঁজ-বাগৰ কৰি কৰি দুয়োদলেই ক্ৰমান্বয়ে এক অসমীয়াভাষী জাতিলৈ পৰিবৰ্ত্তিত হৈ গৈছিল। আনহাতে নামনি অসমত কোঁচসকলে প্ৰধান জনগোষ্ঠী হিচাপে শাসনকাৰ্য্য চলাই আছিল। তাৰ লগে লগে বিভিন্ন সময়ত আন আন জনগোষ্ঠী সমূহেও দাঁতি কাষৰীয়া অঞ্চলসমূহত প্ৰভাৱ বিস্তাৰ কৰিছিল নানা উত্থান-পতনৰ মাজেৰে। শেষলৈ আহোমসকলেই অধিক শক্তিশালী হৈ উঠে আৰু অসমৰ নামনিলৈকে ৰাজ্য বিস্তাৰ কৰে।

তাই সকল পুৰণি কামৰূপলৈ (অসম) আহি যি উমৈহতীয়া প্ৰশাসন গঢ়ি



OKDISCD

তুলিছিল তাক আহোম, অসাম আদি নামেৰে পৰিচিতি লাভ কৰিছিল আৰু সেইদৰেই ক্ৰমে দেশখনৰ নাম অসম আৰু অধিবাসীসকলক অসমীয়া নামেৰে জনাজাত হয়। অসমৰ এই বিভিন্ন ৰাজকীয় শাসক গোষ্ঠীসমূহক হিন্দু ধৰ্মৰে দীক্ষিত কৰিবলৈ বৰ্তমানৰ মুল ভাৰতভূমিৰ পৰা বিভিন্ন সময়ত উচ্চবৰ্ণৰ হিন্দুলোক অসমলৈ আহে আৰু ধৰ্মকাৰ্য্য চলোৱাৰ লগে লগে তেওঁলোকে বহুসময়ত শাসন কাৰ্য্যতো গুৰুত্বপূৰ্ণ ভূমিকা লবলৈ ধৰে। অসমত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ গুৰুত্বপূৰ্ণ অৱদান আছে। নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ মাধ্যমৰূপে অসমীয়া ভাষাৰ বিকাশত সহায় হৈছিল আৰু কোচ ৰজাই এই ক্ষেত্ৰত প্ৰধান পৃষ্ঠপোষকতাৰ দায়িত্বভাৰ লৈছিল। ড০ বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে শংকৰদেৱৰ নৱ বৈষ্ণৱ ধৰ্মৰ মাজতো থলুৱা জনজাতীয় প্ৰভাৱ থকা দেখা যায়। অসমত উচ্চ বৰ্ণৰ ভিতৰতো অবাধ মাছৰ প্ৰচলন আছে যিটো উত্তৰ ভাৰতত দেখা নাযায়। উত্তৰ ভাৰতৰ ব্ৰাহ্মন সকলে এতিয়াও মাছ ঘিনায়। অসমৰ বৈষ্ণৱ গুৰুসকলেও মাছ-পুঠি খোৱাৰ বেলিকা কোনো নিষেধাজ্ঞা দিয়া নাই বৰঞ্চ মাছ-পুঠি থকা সুচল ঠাইতহে সত্ৰ পাতিবলৈ পৰামৰ্শ দিয়া বুলি গুৰুচৰিত পুথি সমূহত পোৱা যায়। তদুপৰি নৱবৈষ্ণৱ যুগৰ নামঘৰ জনজাতীয় সমাজৰ মৰংঘৰৰ আদৰ্শতে স্থাপন কৰা হৈছিল।

অসমত আহোম সকলৰ প্ৰভাৱী শাসন চলি থকা সময়ছোৱাত বৰ্তমানৰ প্ৰায় সমগ্ৰ ভাৰতবৰ্ষত মোগল সম্ৰাট সকলৰ শাসন চলিছিল। এই মোগল শক্তিয়ে কেইবাবাৰো অসম দেশ আক্ৰমন কৰিছিল, সৰ্বমুঠ সোতৰবাৰ। মোগলৰ এই আক্ৰমনবোৰ বহিঃ শত্ৰুৰ আক্ৰমন বুলি গণ্য কৰা হৈছিল আৰু সেই মোগল শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যাওঁতে অসমৰ থলুৱা জনগোষ্ঠী সমূহৰ মাজত ঐক্যতাৰ ভাব গাঢ় হৈছিল যি অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত অন্যতম ভূমিকা পালন কৰিছিল। শৰাইঘাটৰ প্ৰখ্যাত যুদ্ধত সবল নেতৃত্ব প্ৰদান কৰি মোগল শক্তিৰ ককঁালভঙাৰ জৰিয়তে লাচিত বৰফুকনে অসমৰ সাৰ্বভৌমত্বক সুৰক্ষা দিবলৈ সমৰ্থ হৈছিল, যাৰ বাবে আজিও জাতীয় বীৰ লাচিত বৰফুকনৰ নামত গৌৰৱান্বিত হয় প্ৰতিজন অসমীয়াই। আনহাতে মিৰজুমলা আৰু প্ৰথম মুছলমানৰ আক্ৰমনৰ সময়তে অসমলৈ আগমন ঘটা মুছলমান ধৰ্মীয় লোকসকলো অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত জীন যায় আৰু পৰৱৰ্তী সময়ত জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ অৰিহণা যোগাই। তেনে এক উদাহৰণ হ'ল বাঘ হাজৰীকা (ইছমাইল চিদ্দিক) যি জন শৰাইঘাটৰ ৰণত আহোমৰ হিলৈদাৰী বাহিনীৰ নায়ক আছিল। প্ৰবল পৰাক্ৰমী মোগল আক্ৰমণকো প্ৰতিহত কৰা আহোম প্ৰশাসন অভ্যন্তৰীন প্ৰশাসনিক সংস্কাৰৰ অভাৱত বিশৃংখলিত হবলৈ ধৰে। পূৰ্বৰ সু-শাসনৰ সলনি স্বেচ্ছাচাৰিতাই প্ৰাধান্য পাবলৈ ধৰে যাৰ পৰিণতিত মোৱামৰীয়া গণ অভ্যুত্থান সংঘটিত হয়। মোৱামৰীয়া গণ-অভ্যুত্থানৰ



বাবেই আহোম প্ৰশাসনৰ ভেটি দুৰ্বল হৈ পৰে আৰু মানৰ আক্ৰমনৰ সন্মুখীন হয়। গৃহযুদ্ধই জুৰুলা কৰা অসমত মানে তিনিবাৰকৈ আক্ৰমন কৰি (১৮১৭-১৮১৯ আৰু ১৮২১) অসমখন একপ্ৰকাৰৰ মৰিশালিত পৰিণত হোৱাৰ উপক্ৰম হৈছিল।

ইতিমধ্যে ভাৰতবৰ্ষত মোগল শক্তিও দুৰ্বল হৈ পৰিছিল আৰু তাৰ ঠাইত শিল্পবিপ্লৱৰ জৰিয়তে শক্তিমন্ত হোৱা বৃটিছ শক্তি ভাৰত উপমহাদেশত প্ৰধান শক্তিত পৰিণত হৈছিল। মানে অসম দখল কৰি বৃটিশ কোম্পানী শাসিত বংগদেশৰ ভিতৰতো লুট পাত কৰাত মান খেদিবলৈ বৃটিছৰ আগমন ঘটে আৰু বৃটিছে মানক যুদ্ধত হৰুৱাই ইয়াণ্ডাবু নামে ঠাইত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত এক সন্ধিপত্ৰত মানৰ লগত স্বাক্ষৰ কৰে। এই বিতৰ্কিত চুক্তিৰ পাছৰে পৰা অসম বৃটিছ সাম্ৰাজ্যবাদী শক্তিৰ দখললৈ যায়। বৃটিছ সাম্ৰাজ্যবাদী শক্তিয়ে অসমক বৃটিং ইণ্ডিয়া উপনিবেশৰ অন্তৰ্ভূক্ত কৰে। ইয়াৰ লগে লগে অসমৰ স্বাভাৱিক সভ্যতা-সংস্কৃতিৰ বিকাশ সাম্ৰাজ্যবাদী শক্তিৰ হেঁচাত অৱৰুদ্ধ হৈ পৰিল।

ইয়াৰ পাছৰে পৰা অসমৰ জনগনে নিজৰ জাতীয় অধিকাৰ প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা চলাই থাকিব লগা হৈছে।

□□□

# বিশ্বায়নৰ অতিথি আৰু জাতিপ্ৰেমৰ ভাও

❑ গণেশ চন্দ্ৰ নাথ

আমাৰ, সাধাৰণ শ্ৰেণীৰ মানুহৰ ভাল হ'ব পৰাকৈ এদিন কিবা এটা হ'ব, এই আশাত আমি সকলোৱে আশাবাদী। হেজাৰটা দুঃস্বপ্ন, হেজাৰটা ধুমুহাৰ পিচতো আমি সপোন দেখো আৰু প্ৰত্যেকেই দাবী কৰো, গৌৰৱবোধ কৰো - আমি আশাবাদী মানুহ। কিন্তু বাস্তৱিকতে ইয়াৰে সৰহসংখ্যক মানুহেই নৈৰাশ্যৰ মাজত ডুব গৈ থাকে, কথাটো আমি প্ৰায়ে মুকলি কৰিবলৈ টান পাওঁ, লজ্জাবোধ কৰো। আমি হেজাৰবাৰ ঢাকিব খুজিলেও এনে নিৰাশা, (কেতিয়াবা কাৰোবাৰ বাবেই সাময়িকভাৱেও হ'ব পাৰে) আমাৰ কথা - আমাৰ প্ৰশ্নবোৰত ওলাই পৰে।

- কি হ'ব এতিয়া?
- কিবা হ'ব গৈনে?
- কিবা আশ কৰিব পাৰিনে?
- সেই কেইজনে দেখোন ফালৰিহে কাটিছে?
- মুখত মাখন ভৰাই হৰিভকতহঁত দেখোন মনে মনে থকা হৈছে?

এনে বহু প্ৰশ্নই আমাৰ মুখেদি আপোনা-আপুনি ওলায়। এইবোৰ এনেয়ে ওলোৱা প্ৰশ্ন নহয়, তাৰ বাবে 'নৈৰাশ্যবাদী' প্ৰশ্নকৰ্তাজন দায়ী নহয়। এই প্ৰশ্নবোৰ আহিছে পৰিস্থিতিৰ হাত ধৰি। সমগ্ৰ শাসন ব্যৱস্থাটোৰ প্ৰতি সাধাৰণ মানুহে বিশ্বাস হেৰুওৱাটো নতুন কথা নহয় - তাৎপৰ্যপুৰ্ণভাৱে যাৰ পৰা কিবা এটা হ'ব বুলি আশা কৰা হৈছিল, তেওঁলোকৰ ক্ষেত্ৰতো সেই একেই আশা ভংগৰ বেদনা। বঞ্চনাৰ পুনৰাবৃত্তি। এয়া মানসিকভাৱে উত্তৰণ নোহোৱা ছদ্মবেশী দুস্কৃতিকাৰী একাংশৰ কাৰ্য-ভাৱনাৰ ফলশ্ৰুতি। উল্লিখিত 'মানসিক উত্তৰণ'নো কি বা 'ছদ্মবেশী দুস্কৃতিকাৰী' সকলনো কোন?

একোটা জাতি বা ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্ত্বাসমূহক সাংস্কৃতিকভাৱে নিঃশেষ কৰি গৈ থকা এই শতিকাৰ মহাপ্ৰলয়টো হ'ল বিশ্বায়ন। বিশ্বায়ন সন্দৰ্ভত এই চুটি লেখাটোত অধিক কথা লিখাৰ কোনো সুযোগ নাই, আমি মাত্ৰ ইয়াত উপভোক্তা-জাতিৰ ওপৰত ই কেনে প্ৰভাৱ পেলাইছে সেই সম্পৰ্কেই একেষাৰ ক'ব খুজিছো। বিশ্বায়ণৰ আশীৰ্বাদৰ হাত মুৰত লৈ বহুজাতিক কোম্পানীসমূহে সৃষ্টি কৰা উপভোক্তা জাতিৰ বাবে তেৰাসবে আটাইতকৈ লোভনীয় পণ্যবোৰ উৎপাদন কৰিছে। এই লোভৰ বশবৰ্তী হৈ আমি সকলোৱে উপভোক্তা জাতিটোৱে নিজৰ নিজৰ জনমুৰি আয়ৰ হাৰ পাহৰি যাওঁ। কিবাকৈ বস্তুটো লাগে আমাক। আনৰ ঘৰৰ বিছনাত পাৰি থোৱা ফুলাম বিছনা ছাদৰখন দেখিলে নিজৰ ঘৰৰ বিছনাতো পাৰিবলৈ মন যায়। পটাগুটি পিহি বাহুৰ বিষ কৰাতকৈ মছলাকণ বাটোতে বা বড়া ভাজিবলৈ মচুৰ ডাইলখিনি বাটোতে 'মিক্সাৰ গ্ৰাইণ্ডাৰ'টো হ'লে ভাল। মাৰুতী ৮০০ গাড়ীখনত বহি আৰাম অনুভৱ কৰাৰ পিচত কিবাকে এ.চি. এষ্টিম এখন বা তেনে আন কিবা এখন ল'বলৈ হেঁপাহ।



এই 'কিবাকে' উপাৰ্জনৰ পথটো সততে সহজলভ্য কৰিবলৈ গৈ আনৰ মুৰত কঠাল ভাঙি খোৱাৰ দৰে মানসিকতা এটা গঢ় দি ইয়াৰে এটা শ্ৰেণীও তৈয়াৰী হৈছে আৰু অতি লক্ষণীয়ভাৱে 'সংগ্ৰামী শিবিৰ'ৰ বহুতেই এই শ্ৰেণীত নামভৰ্ত্তি কৰিছে।

বহুৰ্জাতিক কোম্পানীবিলাকৰ পণ্য যিমান লোভনীয় তাতোকৈ বেছি লোভনীয় তেওঁলোকৰ পৰিৱেশন আৰু আপ্যায়ন। বেছি দুৰলৈ যাব নালাগে, কোম্পানীবিলাকৰ বিতৰক প্ৰতিষ্ঠানৰ কৰ্মচাৰীবিলাকৰ আপ্যায়নকে মন কৰিবচোন - তেওঁলোকৰ লগত কথা-বতৰা হ'লে এনে লাগে যেন তেওঁলোকৰ কোনো খং-ৰাগ বিৰক্তি একোৱেই নাইে, তেনে কিবা 'ৰিপু' আছে বুলি তাহাতে নাজানেই, তেওঁলোকক চাগে সাহিত্যিক সকলে 'মৃদুভাষী' বুলি ক'ব। কিন্তু তেওঁলোকে ঘৰত কেনে আচৰণ কৰিব পাৰে বাৰু?

আচলতে এই মৃদুভাষ আৰু নম্ৰতায়েই তেওঁলোকৰ পেছা। এনে পেছাদাৰী লোক সংগ্ৰামী শিবিৰতো সুলভ, তেওঁলোকে শোষিত শ্ৰেণীৰ হৈ সংগ্ৰাম কৰে, সপোন দেখে আৰু সপোন দেখুৱায়। তেওঁলোক নামঘৰত থকালৈকে ভকত। নামঘৰ এৰি ওলায় আহিলেই লগুণ-গাঠি বাদ দি শৰ বিচাৰি শগুণ হয়। এওঁলোকক ছদ্মবেশী দুস্কৃতিকাৰী বুলি কোৱাত বাদে আন বিভুষণ নাই। এওঁলোকে অস্ত্ৰ-শস্ত্ৰৰে আঘাত নকৰে, তেওঁলোকে বিনা অস্ত্ৰৰে লুটি-পুতি খায়। অথচ আমাৰ চিনাক্তকৰণৰ উপায় নাথাকে, তথ্য-প্ৰমাণ মজুত নথকাৰ দোষত আমি মনে মনে ভাওঁনা চাই থাকি দুখী হওঁ। বহুৰ্জাতিক কোম্পানীৰ পৰা মোটা অংকৰ ধনলৈ জাতীয় আৱেগ সৃষ্টি কৰা জাতীয় সংগঠন - নামী নেতৃত্বৰ নাম সকলোৱে উচ্চাৰণ কৰিছো অথচ প্ৰত্যাহ্বান জনোৱাৰ উপায় নাথাকে। প্ৰশাসনৰ পৰা মোটা অংকৰ ধন লৈ সংগ্ৰাম বিপথে পৰিচালিত কৰা লোক যিদৰে সহজলভ্য হৈ পৰিছে, সংগ্ৰামৰ ব্যৱসায় কৰা কাকতৰ দৰমহাভোগী সাংবাদিকে জনতাৰ লগত থকাৰ ভাওনা কৰাটোও তেনেই পৰিচিত দৃশ্য হৈ পৰিছে। সংগ্ৰামী চেতনাক লৈ কৰা এনে ব্যৱসায় দেখি-বুজি আমি হৈ পৰিছো নৈৰাশ্যবাদী।

কিন্তু প্ৰশ্ন হ'ল বিশ্বায়ণৰ এই ৰঙীণ ছবি আৰু এই জাতিপ্ৰেমীসকলৰ ভাওঁ কিমান দিনলৈ চলিব? আমি তেওঁলোকক চিনাক্তকৰণৰ বাবে তৎপৰ হ'মনে?

এই প্ৰশ্নৰ উত্তৰৰ ওপৰতে নিৰ্ভৰ কৰিছে আমাৰ ভৱিষ্যত। এটা জাতিৰ মানসিক উত্তৰণৰ ওপৰতে নিৰ্ভৰ কৰে জাতিটোৰ ভৱিষ্যত। কিন্তু এই উত্তৰণৰ বাবে আমি কি কৰিছো? আমি কেৱল চৌত উটি গৈ আছো। সমাজ জীৱনৰ লগত সম্পৰ্ক নৰখাকৈ, সাধাৰণ মানুহৰ দুখ-দুৰ্দশাক উপলব্ধি নকৰাকৈয়ে, সাধাৰণ 'কেডাৰ' নোহোৱাকৈয়ে মানুহবোৰ 'লীডাৰ' হ'বলৈ তৎপৰ হৈ থকাৰ ফলশ্ৰুতি



OKDISCD

আমি আজন্ম কষ্ট ভোগ কৰি আছো। কাজেই, আমাৰ সন্মুখত এটা সাংস্কৃতিক আন্দোলনৰ ব্যতিৰেকে অন্য বিকল্প নাই। কিন্তু কি হ'ব এই সাংস্কৃতিক আন্দোলনৰ স্বৰূপে? গতি-প্ৰকৃতি?

এই চমু আলোচনাত আমাৰ কৰ্মীসকলৰ বাবে ইয়াৰ সবিশেষ ব্যাখ্যা সম্ভৱ নহয় - যদিও কেইটামান কথা স্পষ্ট কৰি কোৱা ভাল হ'ব। আমাৰ বহুতৰে সাংস্কৃতিক আন্দোলন, সংস্কৃতি সম্পৰ্কিত ধাৰণাবোৰ স্পষ্ট নহয়, সঁচা কথা ক'ব লাগিলে সংস্কৃতিৰ বিশাল ধাৰণা সন্দৰ্ভত আজিলৈ কোনো পণ্ডিতেই স্পষ্ট ব্যাখ্যা দান কৰিব পৰা নাই। আমাৰ শ্ৰদ্ধাভাজন কৰ্মীসকলে সংস্কৃতি আৰু সাংস্কৃতিক আন্দোলনক একাকাৰ কৰি নাচালেই ভাল। বহুতে মাও জে ডঙৰ নেতৃত্বত চীনা বিপ্লৱৰ সময়ত হোৱা সাংস্কৃতি আন্দোলনৰ ৰূপৰেখাকে আমিও সমৰ্থন কৰো নেকি বুলি প্ৰশ্ন উত্থাপিত কৰিব পাৰে, তেওঁলোকে এই সন্দৰ্ভত এটা কথা স্পষ্ট হৈ থকাটো ভাল হ'ব যে চীনৰ সাংস্কৃতিক আন্দোলনত বহু ত্ৰুতি-বিচ্যুতি থাকি গৈছিল, এই আন্দোলনক পিচলৈ বহু বাওঁপন্থী বুদ্ধিজীৱীয়েও সমালোচনা কৰিছিল আৰু আমাৰ জাতীয় প্ৰেক্ষাপট হ'ল সুকীয়া, আমাৰ জাতীয় চৰিত্ৰ কিছু ভিন্ন, এতেকে নিশ্চিতভাৱেই ইয়াৰ গতি-প্ৰকৃতি হ'ব সুকীয়া।

কৰ্মীসকলে সংস্কৃতি সন্দৰ্ভত এটা কথা স্পষ্ট হৈ থাকিলেই হ'ল যে আমি কি কৰিছো, আমাৰ আচৰণ, আমাৰ কাম-কাজ, ইয়াৰ সামগ্ৰিক স্বৰূপটো সংস্কৃতি। এই সকলোবোৰ সঠিক হ'লে আমি মানুহ এজনক জ্ঞানমাৰ্জিত (Cultured), সাংস্কৃতিক বুলি কওঁ। আনৰ মুৰত কঁঠাল ভাঙি খোৱাৰ মানিসকতা কোনো উচ্চমনৰ মানুহৰ হ'ব নোৱাৰে। এনে মানসিকতাই জাতি এটাক ক্ৰমে অধোমুখী কৰে। যোৱা সময়ছোৱাৰ আন্দোলন, ৰাজনৈতিক পৰিক্ৰমা মন কৰিলেই এই কথা স্পষ্ট হৈ পৰিব। এতেকে প্ৰথমতে নিজৰ, তাৰ পিচত দহৰ - সমাজৰ জাতিটোৰ বাবে কিবা এটা কৰাৰ মানসিকতা গঢ় দিয়াৰ বাবে শূণ্যৰ পৰা আৰম্ভ নকৰো কিয়?

আৰু এনে মানসিকতাৰে পুষ্ট এজন কেডাৰে একোটা আন্দোলনৰ নেতৃত্ব নল'লে সেই একেই বিড়ম্বনা, একেই প্ৰতাৰণা-বঞ্চনাৰ পুনৰাবৃত্তি। আমি প্ৰত্যেকেই ঘৰশত্ৰু-পৰশত্ৰু, উভয়কে চিনি উলিয়াব নোৱাৰিলে কেৱল নৈৰাশ্যবাদৰে জয়জয়কাৰ হ'ব।

□□□

OKDISCD